# খোদাৰ শপত

লিখক হজৰত মির্জা গোলাম আহমদ চাহাব কাদিয়ানী
মছীহ মাওউদ ও মাহদী মাওউদ (আঃ)

সংকলন
বশ্বিৰ উদ্দিন আলা দ্বীন

**In the name of God, Most Gracious, Ever Merciful**

# KHUDAR SAPAT

## (Khuda ki Qasam)

(IN ASSAMESE)

In the history of mankind, is there any individual who made a claim, and lied with God as witness for his destruction, and yet lived to see his mission succeed? Mirza Ghulam Ahmad of Qadian, India, the Promised Messiah of the latter days, is one such person.

Finally, the Assamese translation of the Urdu book containing oaths, swearing in the name of God, has been accomplished under the title of "KHUDAR SAPAT". This book contains forty-seven such oaths the Promised Messiah has taken to prove his truthfulness that he has come as the Reformer of the Latter Days for whom all the major religions are waiting. In his books, he repeatedly states that, "I swear by God Who has sent me and to lie against Whom is the work of the accursed that He has sent me as the Promised Messiah." He says, "I declare with full confidence and steadfastness that I am in the right and that with the Grace of Allah, I will emerge victorious in this struggle."

How beautiful is his prayer, "O! Our God of Bounties, O! Our God. Who is Raheem (Merciful) of distress, grant all my prayers and grant us victory against our opponents with bright signs. It is YOU Alone Who has the real power and strength." He Had to face insurmountable opposition, and he pleads with God as follows, "O, the One from whose sight nothing is hidden, if you see that I am disobedient and wicked, if You see that I am evil then crush this wicked one into FRAGMENTS. And please my enemies and shower your mercy upon their hearts. And fulfill all their desires by Your Grace. And shower FIRE on my house, become my ENEMY and destroy my mission."

His mission was to unite mankind, draw them towards the creator, remove all the misconceptions of Islam and bring out its pristine beauties. God granted him great success and his community (Ahmadiyya Muslim Community) which was struggling, sacrificing and facing tribulation is now in over 200 countries with tens of millions of followers.

# খোদাৰ শপত

“স্বচ্ছ হৃদয়ৰ অধিকাৰীসকলৰ অজস্ৰ নিদৰ্শনাৱলীৰ প্ৰয়োজন নহয়, মাথোন এটা নিদৰ্শনেই যথেষ্ট, যদি অন্তৰত খোদাৰ প্ৰতি ভয় থাকে। (প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)”

## খোদাৰ শপত

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী
মছীহ ও মাওউদ ও ইমাম মাহদী (আঃ) ৰ ৰচনাৱলীৰ পৰা উদ্‌ধৃতঃ

সংকলন
বশ্বিৰুদ্দীন আলাহ দ্বীন

| | |
|---|---|
| নাম কিতাপ | খোদাৰ শপত (লিখক হজৰত মির্জা গোলাম আহমদ চাহাব কাদিয়ানী মছীহ মাওউদ ও মাহদী মাওউদ (আঃ) |
| অনুবাদক | মজিবৰ ৰহমান ইনচাৰ্জ অসম ডেছক |
| কমপোজিং | মজিবৰ ৰহমান ইনচাৰ্জ অসম ডেছক |
| প্ৰথম প্ৰকাশ | ২০১৯ (সংখ্যা ১০০০) |
| মুদ্ৰণে | এছ.কে.অফছেট প্ৰিণ্টিং, বামুনিমেইদান, গুৱাহাটী ৭৮১০২১ অসম |

| | |
|---|---|
| **NAME OF THE BOOK** | KHUDAR SAPAT |
| **ORIGINAL BOOK** | KHUDA KI QASAM |
| **ASSAMESE TRANSLATION** | MOZI BAR RAHMAN INCHARGE ASSAM DESK |
| **FIRST EDITION** | 2019 |
| **QUANTITY** | 1000 |
| **PRINTED AT** | SK OFFSET PRINTING BAMUNIMAIDAN, GUWAHATI 781021 (ASSAM ) |

# অনুৰোধ

আলহামদুলিল্লাহ, হজৰত মছীহ মাওউদ (আঃ) য়ে তেখেতৰ পুস্তকত বিভিন্ন স্থানত আল্লাহ তায়লাৰ নামত যিবিলাক শপত খাইছে। সেই শপতবিলাকক একত্রিত কৰি প্রকাশ কৰিছোঁ যাতে আল্লাহ ভীৰু মানুহে এইবিলাকক পঢ়ে আৰু হজৰত মছীহ মাওউদ (আঃ) ৰ সত্যতাক প্রমাণ কৰিব পাৰে। ডঃ মহম্মদ হোছেইন চাহাব ছাজিদ আৰু ৰাশ্বেদ মহম্মদ আলাহদ্বীন চাহাবক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, যিসকলৰ সহযোগীতাত আল্লাহ তায়লাৰ কৃপাত এই পুস্তকখন প্রকাশ কৰাত সক্ষম হৈছো। আল্লাহ তায়লা সিহঁতক উত্তম পুৰুস্কাৰেৰে পুৰুস্কৃত কৰক। কিন্তু দু:খৰ বিষয় এই পুস্তকখন প্রকাশৰ পূর্বতেই ড: মহম্মদ হোছেইন চাহাব ছাজিদ ২৫ মে ১৯৮৮ খ্রীষ্টাব্দত মৃত্যুবৰণ কৰে। (ইন্না লিল্লাহে ওৱা ইন্না ইলাইহি ৰাজিউন) আল্লাহ তায়লা তেখতৰ লগত ক্ষমাৰ আচৰণ কৰক আৰু উচ্চ মর্য্যদা প্রদান কৰক আৰু হজৰত মহম্মদ (ছাঃ) আৰু হজৰত মছীহ মাওউদ (আঃ) ৰ নৈকট্য প্রদান কৰক ।(আমীন)

ডঃ চাহাবৰ ইচ্ছানুযায়ী মই এই পুস্তকখন মৰহুম ডঃ খলিল আহমদ নাছিৰ চাহাবৰ নামত উৎসর্গ কৰিলো। এই অধম তাৰ লগত ছাত্র জীৱনৰ পৰা পৰিচিত। তেখেত খুবই পুণ্যবান আৰু ইছলাম আৰু আহমদীয়তৰএকনিষ্ঠ ভক্ত আছিল। আল্লাহ তায়লা এই দুই মৰহুমক ক্ষমা কৰক আৰু উচ্চ মর্যদা প্রদান কৰক। (আমীন)

অৱশেষত সকলোৰে ওচৰত মোৰ কাৰণে দোৱাৰ আবেদন থাকিল যে, আল্লাহ তায়লা যেনএই অধমৰ সামান্য প্রচেষ্টাক গ্রহণ কৰে আৰু দ্বীনৰ বেছি বেছি সেৱা কৰাৰ সৌভাগ্য প্রদান কৰে।( আমীন)

এই অধম, নাজিৰ চাহাব দাওৱাত ইলাল্লাৰ কৃতজ্ঞতা স্বীকাৰ কৰিছে যিজনে এই পুস্তকখনৰ ভূমিকা ৰচনাত আৰু নাম নির্দ্ধাৰণত সাহায্য কৰিছে আৰু প্রকাশ কৰাৰ অনুমতি প্রদান কৰিছে। আল্লাহ তায়লা তেখেতক উত্তম পুস্কাৰেৰে পুৰুস্কৃত কৰক।(আমীন)

দোৱা পার্থী
বশ্বীৰুদ্দিন আলাহদ্বীন
ছেক্রেটাৰী তবলীগ ও তৰবিয়ত
জামাত আহমদীয়া ছেকেন্দ্রাবাদ
৩০ নভেম্বৰ ১৯৮৮ খ্রীষ্টাব্দ

# ভূমিকা

মুছলমানসকলৰ সৰ্ব সন্মত ধাৰণা যে শেষ যুগত হজৰত ঈছা(আঃ) ইবনে মৰিয়ম আকাশৰ পৰা সশৰীৰে অৱতীৰ্ণ হ'ব আৰু উম্মতে মহম্মদীয়াত হজৰত ইমাম মাহদী(আঃ)ৰ আৱিৰ্ভাব হ'ব আৰু এই দুয়োজনে মিলি ইছলাম ধৰ্ম প্ৰচাৰ কৰিব ।অৰ্থাৎ শেষ যুগত মুছলমান সমাজে এই দুজন আধ্যাত্মিক ব্যাক্তিৰ অপেক্ষা কৰি আছে । কিন্তু কোৰান আৰু ছহী হাদীছৰ পৰা প্ৰমাণীতযে হজৰত ঈছা ইবনে মৰিয়ম (আঃ) অৰ্থাৎ বনী ইছৰাইলৰ এজন নবী আছিল । তেখেতে দুই হাজাৰ বছৰ পূৰ্বত সকলো নবীৰ নিচিনা মৃত্যু বৰণ কৰিছে । তেখেত (আঃ) সশৰীৰে আকাশত যোৱা নাই আৰু তেখেত জীৱিতও নাই আৰু তেখেত পাৰ্থিৱ জীৱন লৈ এই যুগত আৱিৰ্ভাব নহব । অৰ্থাৎ হাদীছৰ পৰা প্ৰমাণীত যে ইছলাম ধৰ্মৰ সংস্কাৰৰ কাৰণে আৰু উম্মতে মহম্মদীয়াৰ সংশোধনৰ কাৰণে এই উম্মতৰ পৰা এজন মহাপুৰুষৰ আৱিৰ্ভাব হ'ব, যাক ইছলামী পৰিভাষাত ইমাম মাহদী কোৱা হৈছে । তেখেত আধ্যাত্মিক হিচাপে হজৰত মছীহ ইবনে মৰিয়মৰ সদৃশ হ'ব । হাদীছত বৰ্ণিত আছে যে,

**(ক)লাল মাহদী ইল্লা ঈছা ইবনে মৰিয়মা ( ইবনে মাজা ,কিতাবুল ফিতন বাব শিদ্দাতুত জামান)**

অনুবাদঃ ঈছা ইবনে মৰিয়মেই হব মাহদী ।( ইবনে মাজা, কিতাবুল ফিতন বাব শ্বিদ্দাতুত জমান)

**(খ)ইউশ্বিকা মান আশ্বা মিনকুম আইয়ালকা ঈছা ইবনে মৰিয়ামা ইমামাম মাহদীয়ান হাকামান আদালান (মছনদ আহমদ বিন হাম্বল, কিতাব বাকী মছনদুল মুকাছীৰিন)**

**(গ)কায়ফা আনতুম ইজা নাজালা ইবনে মৰিয়ামা ফিকুম ওৰা ইমামাকুম মিনকুম) ছহী বুখাৰী)**

অৰ্থাৎ ঈছা ইবনে মৰিয়মই ইমাম মাহদী ও ন্যায় বিচাৰক হ'ব । আৰু তোমালোকৰ ইমাম তোমালোকৰ মাজৰ পৰাই হ'ব ।(অৰ্থাৎ উম্মতে মহম্মদীয়াৰ মাজৰ পৰাই হ'ব ।

উপৰোক্ত হাদীছৰ পৰা প্ৰমাণীত যে আগমনকাৰী প্ৰতিশ্ৰুত সত্ত্বা এজন ব্যাক্তিয়ে হ'ব ।তেখেত এফালে ইমাম মাহদী আৰু আনফালে তেখেতেই ঈছা ইবনে মৰিয়মৰ প্ৰতিচ্ছায়া স্বৰূপ হ'ব । কাৰণ পূৰ্বত বৰ্ণনা কৰা হৈছে যে হজৰত ঈছা ইবনে মৰিয়ম বনী ইস্ৰাইলৰ ৰচুল আছিল, তেখেত মৃত্যু বৰণ কৰিছে ।তেখেতৰ পুনৰায় আৱিৰ্ভাবৰ প্ৰশ্নই নুঠে ।

পৃথিৱীত আল্লাহ তায়লাৰ প্ৰেৰিত কোনো প্ৰত্যাদিষ্ট পুৰুষৰ সত্যতাৰ কাৰণে বিভিন্ন দলিল ও প্ৰমাণসমূহ থাকে তাৰ মাজত এটা হ'ল এই যে দাবীকাৰক পূৰ্ণ বিশ্বাসৰ সৈতে আল্লাহ তায়লাক সাক্ষী ৰাখি নিজৰ দাবীৰ

উপস্থাপন কৰি থাকে । কাৰণ আল্লাহ তায়লা সত্যবাদী আৰু মিছলীয়াক ভালকৈ জানে । খোদাৰ বৰ্ণিত আয়াতৰ যিজনে মিছাৰ আশ্ৰয় লয় তেওঁ সফল হ'ব নোৱাৰে ।( ছুৰা ত্বাহা আয়াত ৬২)

**ওৰা লাও তাকাওৱালা আলাইনা বাজাল আকাবিলা লাআখাজনা মিনহু বিল ইয়ামিন ছুম্মা লাকাতানা মিনহুল ওৰাতিন** (ছুৰা আল হাক্কা,৪৫ ৰ পৰা ৪৭)

আয়াত অনুযায়ী মাথোন অসফল আৰু আল্লাহ তায়লাৰ সাহায্যৰ পৰাই বঞ্চিত নহয় বৰং আল্লাহ তায়লাৰ ওচৰত শাস্তিৰ পাত্ৰ বুলি গণ্য হ'ব ।

হাদীছৰ পৰা বৰ্ণিত যে এবাৰ এজন ব্যাক্তি মদিনাত আহে আৰু চাহাবা সকলৰ মজলিছত হজৰত মহম্মদ (ছাঃ) ক কয়, আপুনি আপোনাৰ নবুয়তৰ দাবীৰ ওপৰত আল্লাহ তায়লাৰ কছম (শপত) খাওঁক । যেতিয়া হজুৰ (ছাঃ) সিহঁতৰ সন্মুখত নবুয়তৰ দাবীৰ ওপৰত কছম খায়,তেতিয়া সেই ব্যাক্তি মাথোন কছম শ্ৰৱণ কৰি হজৰত মহম্মদ (ছাঃ) ৰ ওপৰত ঈমান আনে ।বুখাৰী শ্বৰীফৰ হাদীছৰ অনুবাদ নিম্ন লিখিতত উল্লেখ কৰা হ'ল,

অনুবাদঃ আনছ বিন মালিক (ৰাঃ) ৰ পৰা বৰ্ণিত যে এদিনাখন আমালোকে নবী কৰীম (ছাঃ) ৰ লগত মছজিদত বহি আছিলো ,সেই সময়ত এজন ব্যাক্তি উটৰ ওপৰত আৰোহণ কৰি আহে ।

তাৰ পিছত উটটো মছজিদৰ আঙ্গনত বান্ধি আমাৰ ফালে লক্ষ্য কৰি কয় যে তোমালোকৰ মাজত মহম্মদ কোনে হয় ?নবীকৰীম (ছাঃ) আমাৰ ওচৰতেই বহি আছিল আমালোকে উত্তৰ দিলো যে আমাৰ মাজত যিজন ঠেজা দি বহি আছে তেখেতেই ।তাৰ পিছত সেই ব্যাক্তিজনে কয় হে আব্দুল মোতাল্লিবৰ ল'ৰা ; নবী কৰীম (ছাঃ) য়ে কয়,কোৱা: মই উত্তৰ দিম । তেতিয়া সেই ব্যাক্তিয়ে কয়, মই আপোনাৰ ওচৰত কিছুমান বিষয় সম্পৰ্কে জানিব খুজিছো, মোৰ প্ৰশ্নৰ ভিতৰত কৰ্কশ ভাৱ থাকিব আপুনি কিন্তু খং নকৰিব । হজুৰ (ছাঃ) য়ে কয়, তুমি তোমাৰ বিবেক অনুযায়ী প্ৰশ্ন কৰা । তেতিয়া তেওঁ কয় যে মই আপোনাক আপোনাৰ বিধাতা আৰু পূৰ্বৰ মানৱ জাতি সমূহৰ বিধাতাৰ কছম দিছো । সত্য ক'ব, আল্লাহ তায়লা আপোনাক গোটেই মানৱ জাতিক পয়গাম দিয়াৰ কাৰণে পঠাইছেনে ?হজুৰ (ছাঃ) য়ে উত্তৰ দিলে যে আল্লাহ তায়লা সকলো বিষয় জানে (হয় এইটো সত্য) । তাৰ পিছত তেওঁ কয়, মই আপোনাক আল্লাহৰ কছম দি সুধো যে আল্লাহ তায়লা আপোনাক ধনী মানুহৰ পৰা ধন লৈ দুখীয়াৰ মাজত বণ্টনৰ আদেশ দিছেনে ? হজুৰ (ছাঃ) য়ে উত্তৰ দিলে যে আল্লাহ তায়লা সকলো কিছু জানে (হয় এইটো সত্য) তেতিয়া সেই ব্যক্তি জনে কয় যে আল্লাহ তায়লাৰ ফালৰ পৰা যিবোৰ আদেশ লৈ আপুনি আহিছে তাৰ ওপৰত মই ঈমান আনিলো আৰু আমাৰ জাতি,যিসকলে ইয়াত অহা নাই মই বনী-চাদ বিন বকৰৰ ভাইসকলৰ মাজত অন্তৰ্ভূক্ত ছালবাৰ ল'ৰা জিমাম, সিহঁতৰ কাৰণে এই সু-সংবাদ লৈ উভতি যাব ধৰিলো ।

বেলেগ এটা হাদীছত মিছা শপত খোৱাৰ প্ৰতিফল সম্পৰ্কে কোৱা হৈছে, মিছা শপত অঞ্চল সমূহক ধ্বংস কৰি দিয়ে (মছনদ শ্বিহাব বাব ইয়ামিন) অৰ্থাৎ মিছা শপতকাৰী অকল মাথোন আল্লাহ তায়লাৰ ফজলৰ পৰা বঞ্চিতই নহয় বৰং আল্লাহ তায়লা তাৰ মিছা শপতৰ শাস্তিও দিয়ে।

আহমদীয়া মুছলিম জামাতৰ পবিত্ৰ প্ৰতিষ্ঠাতা হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) ১৪ শতাব্দী হিজৰীত নবুয়তৰ দাবী কৰি ঘোষণা কৰে যে,

ক) আল্লাহ তায়লা পৱিত্ৰ ওহীৰ মাধ্যমত মোক জনাইছে যে আল্লাহ তায়লা মোক মছীহ মাওউদ ৰূপে পঠাইছে আৰু মই বাহ্যিক ও আভ্যন্তৰীন মতানৈক্যৰ মীমাংসাকাৰী। ৰছুলুল্লাহ (ছাঃ)মোৰ নাম মছীহ ও মাহদী ৰাখিছে, আৰু আল্লাহ তায়লা স্বয়ং বৰ্তমান যুগৰ প্ৰয়োজন অনুযায়ী মোৰ নাম মছীহ ও মাহদী ৰাখিছে। মুঠতে মছীহ ও মাহদী নামৰ মাজত একাধিক সাক্ষী আছে, মোৰ প্ৰভু যিয়ে আকাশ ও পাতালৰ মালিক, মই তাক সাক্ষী ৰাখি কৈছো, মই তাৰ ফালৰ পৰা প্ৰেৰিত আৰু সি তাৰ বিভিন্ন নিদৰ্শনাৱলী প্ৰদৰ্শনৰ মাধ্যমত মোৰ ফালে সাক্ষী দি থাকে।(ৰুহানী খাজাইন খণ্ড ১৭ পৃঃ ৩৪৫ প্ৰথম আৰবাইন পৃষ্ঠা ,৩)

খ) বৰেলীৰ এজন ব্যাক্তি হজৰত মিৰ্জা গোলাম আহমদ চাহাবলৈ চিঠি লিখি এই কথা প্ৰকাশ কৰে, যদি আপুনি মছীহ মাওউদ হয়,যাৰ বিষয়ে হাদীছত বৰ্ণিত আছে তেনেহলে আল্লাহ তায়লাৰ কছম খাই উত্তৰ লিখক। তাৰ পিছত আল্লাহ তায়লাৰ কছম (শপত) খাই নিম্ন লিখিত উত্তৰ লিখে,

মই পূৰ্বত মোৰ দাবী সমম্পৰ্কে বিভিন্ন পুস্তকত শপত খাই জনসাধাৰণৰ মাজত প্ৰকাশ কৰিছোঁ, আৰু এতিয়া এই পুস্তকত আল্লাহৰ কছম খাই লিখি আছো,যাৰ হাতত মোৰ প্ৰাণ আছে , মই সেই মছীহ মাওউদ, যাৰ সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ) ছহী বুখাৰীও মুছলিম শ্বৰিফ আৰু অন্যান্ন ছহী হাদীছৰ কিতাপত বৰ্ণনা কৰিছে ( ওৱা কাফা বিল্লাহি শ্বাহীদা )

লেখক মিৰ্জা গোলাম আহমদ ১৭ আগষ্ট ১৮৯৯ খ্ৰীষ্টাব্দ।

(ৰুহানী খাজাইন খন্ড ২ য় মলফুজাত ১ ম খন্ড, পৃঃ ৩২৬-২৭)

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ মাওউদ (আঃ)তেখেতৰ দাবীৰ সত্যতা সম্পৰ্কে বিভিন্ন পুস্তকত আৰু লিখনীত বহু ঠাইত আল্লাহ তায়লাৰ কছম খাইছে সেই বিলাক জনাব বশ্বীৰুদ্দীন আলাদ্বীন চাহাব (ছেক্ৰেটাৰি তবলীগ, জামাত আহমদীয়া ছেকেন্দ্ৰবাদে) এই পুস্তকখন এই উদ্দেশ্যত একত্ৰিত কৰিছে যাতে শুভ্ৰ চিত্তৰ মানুহে হজৰত মিৰ্জা গোলাম আহমদ চাহাবৰ দাবী সম্পৰ্কেসঠিকভাৱে বুজিব পাৰে আৰু আনফালে আল্লাহ তায়লাৰ কাৰ্য্য প্ৰণালীৰ মাধ্যমত হজৰত মছীহ মাওউদ (আঃ) ৰ জামাতৰ উন্নতি চাই তেখেতৰ দাবীক মান্যৰ সৌভাগ্য পায় আৰু ইছলাম ধৰ্মৰ সেৱা আৰু প্ৰচাৰ ও প্ৰসাৰ অৰ্জন কৰে। দোৱা কৰো আল্লাহ তায়লা জনাব বশ্বীৰ উদ্দীন আলাদ্বীন চাহাবৰ এই প্ৰচেষ্টা গ্ৰহণ কৰি নেক (পূণ্য) প্ৰতিফল প্ৰদান কৰক। (আমীন)

শ্বৰীফ আহমদ আমিনী
এডিশ্বনাল নাজিৰ দাওৱাত ও তবলীগ কাদিয়ান

**পৰীক্ষাৰ কাৰণে নাহিল কোনেও**
**আহ্বান আছিল প্ৰত্যেক বিৰোধীতা আমাৰ সন্মুখত আহ**
(দুৰৰে ছামিন)

আহমদীয়া মুছলিম জামাতৰ ইমামৰ ফালৰ পৰা সকলো আলেম সম্প্ৰদায়ক কছম খোৱাৰ **চ্যালেঞ্জ,**

হজৰত মছীহ মাওউদ (আঃ) ৰ সম্পৰ্কে তথাকথিত ধৰ্মীয়আলেমসকল যিবিলাক অবৈধ ও ভ্ৰান্ত বিশ্বাসসমূহ মুছলমানসকলৰ মাজত বিয়পাবৰ চেষ্টা-প্ৰচেষ্টা কৰি আছে। তাৰ সমাধানৰ কাৰণে আহমদীয়া মুছলিম জামাতৰ ইমাম ৬ ই মাৰ্চ ১৯৮৭ খ্ৰীষ্টাব্দৰ খুতবা জুমাত কৈছে,

হজৰত মছীহ মাওউদ (আঃ)আহমদীয়া মুছলিম জামাতক কি উপদেশ দিছে তেখেতৰ ধৰ্ম কি আছিল ?কলেমা কি আছিল ? সকলো বোৰ তেখেত (আঃ) স্বয়ং বৰ্ণনা কৰিছেঃ-

আমি মুছলমান সেই আল্লাহৰ ওপৰত ঈমান ৰাখো যাৰ কোনো অংশীদাৰ নাই। হ্যা, আলিম সম্প্ৰদায় এই কথা কৈ থাকে যে শ্বৰীয়ত বিলুপ্ত হৈ গৈছে এতিয়া জামাত আহমদীয়াৰ ওচৰত মিৰ্জা চাহাবৰ বাণী নতুন শ্বৰীয়ত। কিন্তু আশ্চৰ্যৰ বিষয় এই সকলো মিছা প্ৰচাৰকাৰীসকলৰ মন বিন্দু মাত্ৰও আল্লাহৰ প্ৰতি ভয় নাই। কেনেকৈ এনে নিৰ্ভীক হৈ ইমান ডাঙৰ মিছা কৈ থাকে ?যদি সিহঁতৰ কথাই সত্য হয়, তেনেহলে মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)যি নতুন ধৰ্ম আমাক শিকাইছে, সেই নতুন ধৰ্ম সম্পৰ্কে আপোনালোকে শুনক আৰু নিৰপক্ষ হৈ এঠাইত থিয় দিয়ক। হজৰত মছীহ মাওউদ(আঃ)আমালোকক যিবিলাক শিক্ষা প্ৰদান কৰিছে,সেই বিলাক শুনাৰ পিছতো যদি পূৰ্বৰ নিচিনা ব্যৱহাৰ অব্যাহত থাকে তেন্তে সেইটো আল্লাহ ভীৰুসকলৰ কাম নহ'ব। আমালোকক নতুন শ্বৰীয়ত মান্য কৰাৰ যি অপবাদ দিয়া হৈ আছে,সেই নতুন শ্বৰীয়ত সম্পৰ্কে শুনক:-

আমালোক মুছলমান , সেই আল্লাহৰ প্ৰতি ঈমান ৰাখো যাৰ কোনো অংশীদাৰ নাই, কলিমা **লা ইলাহা ইল্লাল্লাহুৰ** প্ৰতি বিশ্বাসী,তাৰ ৰছুল মহম্মদ (ছাঃ) ক সৰ্বশেষ নবী ৰূপে মানো।ফিৰিস্তা আৰু স্বৰ্গ-নৰকৰ ওপৰত ঈমান ৰাখো। আমালোক **কিবলাৰ** ফালে মুখ কৰি নামাজ পঢ়ো, ৰোজা ৰাখো আৰু যিবিলাক আল্লাহ আৰু তাৰ ৰছুল হাৰাম কৰিছে,সেই বিলাকক হাৰাম (অবৈধ) বুলি গণ্য কৰো আৰু আমালোকে শ্বৰীয়তক বিন্দু মাত্ৰও সংযোজন নকৰো আৰু বিয়োজন নকৰো, যিবিলাক ৰছুলুল্লাহ (ছাঃ) পৰা আমাৰ ওচৰলৈ আহিছে,সেই বিলাকক আমি গ্ৰহণ কৰি থাকো, আমালোক তেখেতৰ বাণীৰ ভেদ ও তাৎপৰ্য সঠিক ভাৱে বুজিব পাৰো বা নোৱাৰো, আল্লাহ তায়লাৰ কৃপাত আমালোক একত্ববাদত বিশ্বাসী মোমিন ও মুছলমান।

(নুৰুল হক, প্ৰথম ভাগ, ৰুহানী খাজাইন অষ্টম খন্ড .পৃঃ ৭-৮)

যদি ধৰ্মীয় আলিম সকলৰ দৃষ্টিত আহমদীসকলৰ শ্বৰীয়ত এইটোই হয় ,তেনেহলে হজৰত মিৰ্জা গোলাম আহমদ(আঃ)ৰ বৰ্ণনা অনুযায়ী এইটোই আমালোকৰ শ্বৰীয়ত। কিন্তু মিছা প্ৰচাৰকাৰীসকল কেতিয়াও এটা বাক্যৰ

ওপৰত অটল নাথাকে। সিহঁতে প্ৰত্যেক মূহূৰ্ততে বাক্য পৰিৱৰ্তন কৰি থাকে। এটা বাক্যৰ ওপৰত স্থিৰ থাকি অঙ্গীকাৰ কৰক যে সেই বাক্যৰ ওপৰত অটল থাকিব।

হজৰত মছীহ মাওউদ (আঃ) আৰু এঠাইত কৈছে, মই সত্য কওঁ যে আল্লাহ তায়লাৰ কছম খাই কৈ আছো আমাৰ জামাত মুছলমানৰ মাজত অন্তৰ্ভুক্ত, হজৰত মহম্মদ (ছাঃ) আৰু কোৰান মজিদৰ ওপৰত তেনেকুৱাই ঈমান ৰাখো যেনেকুৱা এজন সত্য মুছলমানৰ ঈমান হোৱা উচিত।

( লেকচাৰ লুধিয়ানা, ৰুহানী খাজাইন , খন্ড ২০, পৃঃ ২৬০)

এতিয়া প্ৰশ্ন হ'ল যদি এই দৰে অপবাদৰ ধাৰাবাহিকতা অব্যাহত থাকে আৰু যদি জামাত সম্পৰ্কে সজোৰা গল্প প্ৰচাৰ কৰা হয় আৰু আহমদীয়া জামাতৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰে আমালোকক অপবাদ বিলাকৰ উত্তৰ দিয়াৰ অনুমতি নিদিয়া হয়,এনে অৱস্থাত নিজৰ প্ৰচেষ্টাৰ মাধ্যমত উত্তৰ দিয়াৰ চেষ্টা হোৱা উচিত। কিন্তু মনত ৰখা উচিত যে সেই মুহূৰ্তত বহুত বাধাৰ সন্মুখীন হ'ব লাগিব আৰু যেনেকুৱা আজিও জামাতৰ বিৰুদ্ধে গল্প আৰু মিছা প্ৰচাৰ চলি আছে।ইমান সোনকালে জামাতৰ ফালৰ পৰা প্ৰত্যেক স্থানত উত্তৰ পত্ৰ পঠোৱা অসম্ভৱ। তেনেহলে ইয়াৰ সমাধান কি ?এটাই সমাধান, মই আহমদী জামাতৰ ফালৰ পৰা পাকিস্থান আৰু অন্যান্য দেশৰ গোটেই ধৰ্মীয় আলিম সকলক **চ্যালেঞ্জ কৰি কৈ আছো** যে হজৰত মছীহ মাওউদ (আঃ) যেনেকুৱা পৱিত্ৰ নামৰ কছম খাই ঘোষনা কৰিছে যে গোটেই মুছলমান সকলৰ কলেমাৰ নিচিনা আমাৰ কলেমাও এক আৰু অভিন্ন। আমাৰ ৰচুল মহম্মদ মুস্তফা (ছাঃ)। আমি সেই সকলো বাক্যৰ ওপৰত ঈমান ৰাখো যিবিলাক বাক্যৰ ওপৰত ঈমান আনি ইছলাম ধৰ্ম গ্ৰহণ কৰা হয়।তেখেত(আঃ)যিদৰে দৃঢ়তাৰ সৈতে কছম খাইছে আৰু মিছলীয়াসকলক অভিশাপ দিছে, পাকিস্থানৰ ধৰ্মীয় আলিম সকল যদি সঠিক পথ অৱলম্ভন কৰি থাকে তেতিয়া সকলো ধৰ্মীয় আলিম সকল মিলি তেনেকুৱা বাবে শপত খাই পাকিস্থানত এই মৰ্মত এখন পুস্তক প্ৰকাশ কৰক যে আমালোকে আল্লাহ তায়লাক দৃষ্ট ওঅদৃষ্টৰ মালিক বুলি জ্ঞান কৰো, যাৰ অভিশাপ মিছলীয়া সকলৰ ওপৰত পৰি থাকে, হে খোদা, যদি আমি মিছলীয়া হৈ থাকো তেন্তে তুমি আমালোকৰ ওপৰত অভিসম্পাত কৰা ,আৰু আমালোকৰ ইহজগত ও পৰকালত লাঞ্চিত কৰা। অআহমদীসকলে কৈ থাকে যে আহমদীসকল ভিন্ন কলেমাৰ ওপৰত বিশ্বাস ৰাখে,সিহঁতে যেতিয়া কলেমাত **মহম্মাদুৰ ৰছুলুল্লাহ** কৈ থাকে তেতিয়া তাৰ মানে হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী হৈ থাকে, সিহঁতৰ আল্লাহ ও শ্বৰীয়ত ভিন্ন। হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী চাহাবক আহমদী জামাতৰ অনুসৰণকাৰীসকল (নাউজুবিল্লাহ) সকলো ফালৰ পৰা হজৰত মহম্মদ (ছাঃ)ত কৈ উত্তম মান্য কৰে।

যদি মিছা অপ্ৰচাৰকাৰী সকলৰ মাজত ঈমানী উদ্দীপনা থাকে,

তেন্তে সিঁহতে হজৰত মছীহ মাওউদ (আঃ) ৰ নিচিনা কছম খাওঁক ।তেতিয়া আল্লাহ তায়লাৰ নিয়তৰ পৰিণতি দেখিব পাৰিব ।

মই অভিশাপ দিব নোখোজো, কিন্তু অজ্ঞ আৰু অত্যাচাৰীসকল পৰিপূৰ্ণ ভাৱে অপপ্ৰচাৰ কৰি মিছা অপবাদৰ সীমা লঙ্ঘন কৰি চলি আছে,যাৰ ফলত হজৰত মছীহ মাওউদ (আঃ) ৰ এই **চ্যালেঞ্জ** উপস্থাপন কৰাৰ বাহিৰে মোৰ আৰু কোনো উপায় নাই । যদি তোমালোক সত্যিকাৰ অৰ্থে ঈমানদাৰ হৈ থাকা ,তেনেহলে হজৰত মছীহ মাওউদ (আঃ)ৰ নিচিনা সাহস দেখাওঁক । তেখেত(আঃ)য়ে যেনেকৈ দৃঢ় বিশ্বাসৰ সৈতে আল্লাহ তায়লাক দৃষ্ট ও অদৃষ্টৰ মালিক বুলি মনত কৰি কছম দি এই ঘোষনা কৰিছে যে, তোমালোকে যেনেকৈ জামাত আহমদীয়াৰ অনুসৰণকাৰীসকলৰ বিষয়ে পাপী , লম্পট, ব্যাভিচাৰ আৰু হজৰত মহম্মদ (ছাঃ) ক অবমাননাকাৰী, ইছলামৰ পৰা আঁতৰত গৈ বাহাইহঁতৰ নিচিনা এখন নতুন ধৰ্ম বনাইছে ইত্যাদি ইত্যাদি কৈ থাকে ।আল্লাহ তায়লাৰ কছম খাই সেইবিলাক প্ৰচাৰ পত্ৰৰ মাধ্যমত প্ৰকাশ কৰা হওক ।তেতিয়াহলে তোমালোকে আল্লাহ তায়লাৰ নিয়তৰ পৰিণতি দেখিব পাৰিবা ।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে:- অৱশেষত মই মহা মহিমান্বিত আল্লাহ তায়লাৰ কছম খাই সাধাৰণ মানুহৰ সন্মুখত এই কথা প্ৰকাশ কৰিছোঁ যে মই কাফিৰ নহয় ।**লা ইলাহা ইল্লাল্লাহু মোহাম্মাদুৰ ৰছুলুল্লাহ** আৰু **খাতামান নাবিয়িনৰ** ওপৰত মোৰ পূৰ্ণ বিশ্বাস আছে ।যিমান গুণবাচক আল্লাহ তায়লাৰ নাম আছে, যিমান কোৰান কৰিমত আখৰ আছে, যিমান হজৰত মহম্মদ (ছাঃ) ৰ গুণাৱলী আছে সিমান বাৰ মই মোৰ ঈমানৰ সত্যতাৰ ওপৰত শপত খাব পাৰিম । মোৰ কোনো বিশ্বাস আল্লাহ তায়লা আৰু মহম্মদ (ছাঃ)ৰ পৰা বৰ্ণিত বাণীৰ বিপৰীত নহয় । যি ব্যাক্তি এই ধৰণৰ ধাৰণা ৰাখে তেওঁ ভূল পথত আছে । যি ব্যাক্তি মোক কাফিৰ বুলি ভাবে, মৃত্যুৰ পিছত নিশ্চয় আল্লাহ তায়লা তেওঁক সুধিব ।

( কিৰামাতুছ ছাদিকিন, ৰুহানী খাজাইন, সপ্তম খণ্ড পৃঃ ৬৭)

উত্তৰৰ মাজত যেনেকুৰা দৃঢ়তা ও দীপ্ততা আছে মৃত্যুৰ পিছত সিহঁতক প্ৰশ্ন কৰা হব ।ইয়াৰ মাজতো তেনেকুৱাই কোমলতা আছে । কিন্তু মানুহ ইমান নিৰ্ভীক হৈ গৈছে যে সিহঁতে এই কথা কোৱা উচিত, যদি আমি মিছলীয়া হৈ থাকো তেন্তে আমালোকক ইহকালতেই শাস্তি দিয়া হওক । সিহঁতে এনেকুৱা ব্যাক্তিৰ দৰে হৈ গৈছে, এই কথা যিসকলে কয়,যে আমাৰ ওপৰত স্বৰ্গৰ পৰা পাথৰ বৰ্ষণ কৰা আৰু এই পৃথিৱীৰ পৰাও পাথৰ বৰ্ষণ কৰা । প্ৰতিপক্ষ যিহেতু বিৰোধীতা চৰম সীমা পাৰ কৰি গৈছে, অৰ্থাৎ সিহঁতৰ এই ঘোষনা হোৱা উচিত যে যদি আমালোক মিছলীয়া হৈ থাকো তেতিয়া আল্লাহ তায়লা আমাৰ ওপৰত পাথৰ বৰ্ষণ কৰক, এই পৃথিৱীত আমালোকক অসন্মানিত কৰক আৰু দাবী কৰক যে আহমদীসকলে হজৰত মহম্মদ (ছাঃ)ৰ কলেমাৰ ওপৰত বিশ্বাস নাৰাখে । অৰ্থাৎ হজৰত মিৰ্জা গোলাম আহমদ (আঃ) চাহাবৰ কলিমা পঢ়ি থাকে ,মহম্মদী ধৰ্মৰ ওপৰত বিশ্বাস নাৰাখে, এখন নতুন ধৰ্ম বনাই লৈছে,কোৰান শ্বৰীফৰ ওপৰত বিশ্বাস

নাৰাখে, অৰ্থাৎ কোৰান শ্বৰিফৰ পৰা ভিন্ন এখন গ্ৰন্থ বনাই লৈছে ।সিহঁতৰ শ্বৰিয়ত বাহাই ধৰ্মৰ নিচিনা এটা ধৰ্ম । সিহঁতৰ আল্লাহ আৰু সিহঁতৰ ৰচুল ভিন্ন, হজৰত মিৰ্জা গোলাম আহমদ চাহাবক (নাউজুবিল্লাহ) হজৰত মহম্মদ (ছাঃ)ত কৈ উত্তম বুলি মানে আৰু তেওঁক আল্লাহ তায়লাৰ মৰ্য্যদা দি থাকে ।

যদি সিহঁতে এনেকুৰাই কৰি গৈ থাকে তেতিয়া মই দৃঢ় বিশ্বাসৰ সৈতে কৈছো যে সিহঁতে অৱশ্যই আল্লাহ তায়লাৰ শাস্তি ভোগ কৰিব । সিহঁতে নিশ্চয় আল্লাহ তায়লাৰ বিধান অনুযায়ী লাঞ্ছনা আৰু অপমানক অবলোকন কৰিব যে আল্লাহ তায়লাৰ নিয়তি কেনেকৈ সিহঁতক ধ্বংসৰ মূখলৈ ঠেলি দিছে, সিহঁতৰ ভাগ্য অৱশ্যই অসফল হৈ থাকিব । আল্লাহ তায়লা সিহঁতক সঠিক বাটলৈ লৈ যাওঁক এই দোৱা কৰি থাকো, সিহঁতৰ ওপৰত কৃপা বৰ্ষণ কৰক, সিহঁতে বেয়া কামৰ পৰা আঁতৰত থাকক, হজৰত মহম্মদ (ছাঃ) ক আল্লাহ তায়লা স্বয়ং জ্ঞান প্ৰদান কৰিছে । কিন্তু গোটেই মানৱ জাতিৰ মাজত কোনে সঠিক বাটত আছে, কোনে ধ্বংসপ্ৰাপ্ত আৰু কোনে পৱিত্ৰ সত্যৰ অধিকাৰী সেই বিলাক আমি নাজানো ।এই কাৰণে আমালোকে কোনোবাক অভিশাপ নিদিওঁ । কিন্তু প্ৰতিপক্ষ যদি অভিশাপৰ আকাঙ্খা কৰে যদি সিহঁতৰ সাহস থাকি থাকে তেন্তে সিঁহতে স্বয়ং আহি নিজৰ দাবীৰ সত্যতাত নিজৰ ওপৰত অভিশাপ লৈ যাওঁক ।যদি এনেকুৰা কৰাৰ সাহস থাকে তেনেহলে আল্লাহ তায়লাৰ ফালৰ পৰা লাঞ্ছনা নিশ্চয় চাব পাৰিব ।

খুতবা জুমা, বৰ্ণনাকৃত ৬ই মাৰ্চ ১৯৮৭ খ্ৰীষ্টাব্দ)

ابن مریم مر گیا حق کی
داخل جنت ہوا وہ محترم
(درثمین)

ইবনে মৰিয়ম মৃত্যুবৰণ কৰিছে, আল্লাহ তায়লাৰ কছম ,জান্নাতবাসী হৈছে, তেখেত মহাশয় ।

(

দুৰৰে ছমীন)

بسم الله الرحمن الرحيم

نحمده و نصلي على رسوله الكريم          و على عبده المسيح الموعود

## আইনায়ে কামালাতে ইছলামত,
## কছম খোৱাৰ উদ্দেশ্যঃ

কছম খোৱা সম্পৰ্কে এই কথা মনত ৰখা দৰকাৰ যে আল্লাহ তায়লাৰ নাম লৈ কছম খোৱাক মানুহৰ কছমৰ নিচিনা মনত কৰা দৰ্শন শাস্ত্ৰ কাক তালিয় দোষে দুষ্ট( নজনাকৈ এটা বস্তুৰ তুলনা আন এটা বস্তুৰ লগত কৰা)বুলি কোৱা হয় । আল্লাহ তায়লা মানুহক আল্লাহৰ বাহিৰে বেলেগ কোনোবাৰ কছম খোৱাক এই কাৰণে নিষেধ কৰিছে যে মানুহ যেতিয়া কছম খায় তেতিয়া তাৰ উদ্দেশ্য হৈ থাকে,সি এনেকুৱা এজনক প্ৰত্যক্ষদৰ্শী সাক্ষী ৰূপে উপস্থাপন কৰিব খোজে, যিজনে তাৰ জ্ঞান অনুযায়ী তাৰ বৰ্ণনাকৃত বাক্যৰ সঁচা-মিছাৰ উপযুক্ত সাক্ষী হৈ থাকে । যদি চিন্তা কৰা হয় তেতিয়া বুজিব পৰা যাব যে সাক্ষীয়ে হ'ল কছমৰ আচল উদ্দেশ্য ।কাৰণ যেতিয়া মানুহ সাধাৰণ সাক্ষীক উপস্থাপন কৰাত অক্ষম হয় তেতিয়া কছমৰ মুখাপেক্ষী হৈ থাকে । যাতে এজন মুখাপেক্ষী সাক্ষীৰ দৰে কছমৰ পৰা লাভবান হ'ব পৰা যায় । কিন্তু আল্লাহ তায়লাৰ বাহিৰে দৃষ্ট ও অদৃষ্ট সঁচা-মিছা নিৰ্ণয়কাৰী, শাস্তি প্ৰদানকাৰী বা অন্য কোনো বিষয়ৰ ওপৰত সৰ্বশক্তিমান আছে বুলি বিশ্বাস পোষণ কৰা কুফৰ ।এই কাৰণে গোটেই মানৱ জাতিৰ উদ্দেশ্য ঐশী পুস্তক আল্লাহ তায়লাৰ বাহিৰে বেলেগ কোনোবাৰ কছম নোখোৱাৰ শিক্ষা দিয়া হৈছে ।

উল্লেখ থাকিল যে আল্লাহ তায়লাৰ নামত কছম খোৱাক মানুহৰ কছমৰ লগত তুলনা কৰা ঠিক নহয় । কাৰণ খোদা তায়লা মানুহৰ নিচিনা তেনেকুৱা সমস্যাৰ সন্মুখীন নহয় যেনেকুৱা মানুহ কছম খোৱাৰ সমস্যাত পৰে । বৰং তেওঁৰ শপত খোৱা ভিন্ন প্ৰকাৰৰ যি তেওঁৰ যথোপযুক্ত আৰু তাৰ প্ৰকৃতিৰ নিয়ম অনুযায়ী হৈ থাকে ।বৰং আল্লাহ তায়লাৰ পদমৰ্যদা ও প্ৰাকৃতিক নিয়ম অনুযায়ী অন্য ৰূপে কছম খোৱা হয় ।

( ৰুহানী খাজাইন ৫ম খণ্ড, আইনায়ে কামালাতে ইছলাম পৃঃ৯৫-৯৬ টিকা)

دلبرا مجھ کو قسم تری یکتائی کی

آپ کو تیری محبت میں بھلایا ہم نے

(روحانی خزائن جلد 5 صفحہ 225)

প্ৰিয়তম, কছম তোমাৰ একত্ববাদৰ (খাই কৈছো)
আমি আত্ম বিস্মৃত হৈছো তোমাৰ প্ৰেমত ।
( ৰুহানী খাজাইন,৫ম খন্ড, পৃঃ ২২৫ আইনায়ে কামালাতে ইছলাম পৃঃ ২২৫)

وَاللهِ اِنّی قَدْ رَأَيْتُ جَمَالَهُ

بِعُيُوْنِ جِسْمِيْ قَاعِدًا بِمَكَانِيْ

আল্লাহৰ কছম দেখিছো স্বয়ং তোমাৰ সৌন্দৰ্য,
মৃন্ময়ী শাৰিৰীক চকু দি, নিজৰ ঠাইত বহি বহি ।
( ৰুহানী খাজাইন ৫ম খন্ড, পৃঃ ৫৯৩ আইনায়ে কামালাতে ইছলাম পৃঃ ৫৯৩)

## হাকীকাতুল ওহী

এই উম্মতত কোন মানুহ এনেকুৱা সৃষ্টি হ'ব যিসকলৰ নাম ইহুদী ৰখা হ'ব, এনেকুৱা ভাৱে এই উম্মতত এজন ব্যাক্তিৰ আৱিৰ্ভাব হ'ব যাৰ নাম ঈছা ও প্ৰতিশ্ৰুত মছীহ ৰখা হ'ব । হজৰত ঈছা (আঃ)ক আকাশৰ পৰা নমোৱা আৰু স্বাধীন নবুয়তৰ ভূষণ খুলি তেখেতক উম্মতি বনোৱাৰ কি প্ৰয়োজন আছে ? যদি কোৱা এই কাৰ্যক্ৰম শাস্তি স্বৰূপ হ'ব, কাৰণ তেখেতৰ উম্মতসকলে তেখেতক খোদা বনাইছিল,তেনেহলে এই উত্তৰ অৰ্থহীন । কাৰণ ইয়াত ঈছাৰ কি অপৰাধ আছিল ?

মই এই সকলো কথা কোনো ধাৰণা ও অনুমানৰ সৈতে কোৱা নাই,বৰং খোদা তায়লাৰ ওহী পাই কৈ আছো । মই তাৰ কছম খাই কৈ আছো যে তেওঁ মোক এইটো অৱগত কৰিছে । সময়ে মোৰ সাক্ষী দিছে । খোদাৰ নিদৰ্শন মোৰ সাক্ষী দিছে ।

( ৰুহানী খাজাইন ২২খন্ড, পৃঃ ৩৩ হাকীকাতুল ওহী পৃঃ ৩০-৩১)

আমাৰ যুগত ৰোজাৰ মাহত চন্দ্ৰ, সূৰ্য্যৰ গ্ৰহণ হৈছে । অনুৰূপ ভাৱে আমাৰ যুগতেই কোৰান শ্বৰীফ ও হাদীছ অনুযায়ী দেশত মহামাৰী বিয়পিছে, নতুন নতুন যান-বাহন আৱিস্কাৰ হৈছে,যেনেকুৱা ৰেলগাড়ী । মোৰ ভৱিষ্যতবাণী অনুযায়ী ধ্বংসাত্মক ভূমিকম্প আহিছে । অৰ্থাৎ এইবিলাক নিদৰ্শন পোৱা সত্ত্বেও মোৰ অস্বীকাৰ কৰাৰ সাহস দেখোৱাটো জানো আল্লাহ ভীৰু মানুহৰ উচিত আছিল ?

চোৱাঁ, মই আল্লাহ তায়লাৰ কছম (শপত) খাই কৈছো যে মোৰ সত্যতাৰ অসংখ্য নিদৰ্শন প্ৰকাশ পাইছে, হৈ আছে আৰু ভৱিষ্যতত হৈ থাকিব ।যদি

এইটো মানুহৰ কাম হ'লহে তেতিয়া এনেকুৱা ঐশী সাহায্য নাপালোঁহে। অসংখ্য নিদৰ্শনৰ মাজত মানুহক প্ৰৱঞ্চনা কৰাৰ কাৰণে এটা বা দুটা ভৱিষ্যতবাণীক উপস্থাপন কৰি কয় যে অমুক ভৱিষ্যতবাণী পূৰ্ণ হোৱা নাই। এনেকুৱা কোৱাটো ন্যায় বিচাৰক ও আল্লাহ ভীৰুসকলৰ কাম নহয়। হে অবুজসকল, যিসকলৰ বিবেকত তলা লাগি আছে,ন্যায় বিচাৰ যিসকলৰ সত্বাৰ মাজত নাই ।অসংখ্য ভৱিষ্যতবাণীৰ মাজত এটা বা দুটা ভৱিষ্যতবাণী পূৰ্ণ হোৱাটো তোমালোকে বুজিব পৰা নাই। এইটো কৈ যদি সকলো ভৱিষ্যতবাণীক অস্বীকাৰ কৰা তেতিয়া আল্লাহ তায়লাৰ সন্মুখত অভিযোগ উপস্থাপন কৰাৰ কোনো পথ নাথাকিব।অসহায় হৈ থিয় দি থাকিব লাগিব ?**তৌবা** কৰা, আল্লাহ তায়লাৰ সেই দিন অতি কাষ চাপি আহি গৈছে, যিদিনা এনেকুৱা নিদৰ্শন প্ৰকাশ পাব,যাৰ প্ৰতিফলত গোটেই পৃথিৱী ধ্বংসৰ পথলৈ গুচি যাব।

(ৰুহানী খাজাইন, ২২তম খন্ড, পৃঃ ৪৮, হাকীকাতুল ওহী পৃঃ৪৫-৪৬)

## হাশ্বীয়া

যিবিলাক ঐশী নিদৰ্শন মোৰ সমৰ্থনত প্ৰকাশ পাইছে, সেইবিলাক যদি গণনা কৰা হয় তেন্তে গোটেই বিলাক মিলি তিনি লাখৰও অধিক হ'ব। অৰ্থাৎ অসংখ্য নিদৰ্শনৰ পৰা লাভবান নহৈ দুই বা তিনিটা নিদৰ্শন প্ৰতিপক্ষৰ দৃষ্টিত যদি সন্দেহজনক হৈ থাকে,এনে অৱস্থাত সেই ভৱিষ্যতবাণীক কেন্দ্ৰ কৰি হৈ- হাল্লা কৰা কোনো আল্লাহ ভীৰু মানুহৰ কাম নহয়।পূৰ্ববৰ্তী নবীসকলৰ ভৱিষ্যতবাণীৰ মাজত এই ধৰণৰ উদাহৰণ পোৱা নাযায় নে ?

তোমাৰ প্ৰতিপালকৰ যিবোৰ অনুগ্ৰহৰাজি আছে, সেইবিলাক তুমি প্ৰকাশ কৰি থাকা। (ছুৰা আজজুহা আয়াত ১২) আয়াত অনুযায়ী এতিয়া মই নিজৰ সম্পৰ্কে বৰ্ণনা কৰিছো যে খোদা তায়লা মোক সেই তৃতীয় স্তৰত অৰ্ন্তভুক্ত কৰি সেইসকল নিয়ামত দান কৰিছে যি মোৰ প্ৰচেষ্টাৰ ফল নহয়।বৰং মাতৃ গৰ্ভত মোক দান কৰা হৈছে। মোৰ সমৰ্থনত তেওঁ সেইসকল নিদৰ্শন প্ৰকাশ কৰিছে,যদি সেইবিলাকক এটা এটা কৰি অধ্যকৰ তাৰিখ ১৬ ই জুলাই,১৯০৬ খ্ৰীষ্টাব্দ লৈ গণনা কৰো,খোদা তায়লাৰ কছম খাই কৈছো যে সেইবিলাক তিনি লাখৰও অধিক হ'ব। কোনোবা যদি মোৰ কছমৰ ওপৰত বিশ্বাস নকৰে তেওঁক মই প্ৰমাণ দিব পাৰিম।

(ৰুহানী খাজাইন, ২২ খন্ড, পৃঃ ৭০, হাকীকাতুল ওহী পৃঃ৬৭)

মহামাৰীৰ দিনত যেতিয়া কাদিয়ানত ব্যাপকভাৱে মহামাৰীয়ে দেখা দিলে তেতিয়া মোৰ ল'ৰা শ্বৰীফ আহমদ অসুস্থ হ'ল।তেওঁৰ তীব্ৰ জ্বৰ দেখা দিলে। এনে অৱস্থাত ল'ৰা জন সম্পূৰ্ণ অজ্ঞান হৈ গ'ল আৰু অজ্ঞান অৱস্থাতে হাত-ভৰি ছটফটাবলৈ ধৰিলে। মোৰ মনত পৰিল যদিও মানুহ মৃত্যুৰ অধীন, তথাপি প্লেগৰ এই প্ৰাদুৰ্ভাৱৰ সময়ত যদি ল'ৰা টাইফয়ড জ্বৰত

মৃত্যু হয় তেতিয়া শত্ৰুসকলে এই জ্বৰক মহামাৰী সাব্যস্থ কৰিব আৰু খোদা তায়লাৰ পৱিত্ৰ ওহীক মিছা বুলি আখ্যায়িত কৰিব,যিটো তেখেত (আঃ) য়ে কৈছিল,

অনুবাদঃ অৰ্থাৎ তোমাৰ **চাৰি সীমাৰ ভিতৰত যিসকলে আছে সিহঁতক নিশ্চয় মই ৰক্ষা কৰিম** ।এই চিন্তাত মোৰ হৃদয় এনেকুৱা বেদনাৰ উদ্ৰেক হ'ল যি মই বৰ্ণনা কৰিব নোৱাৰো । প্ৰায় ৰাতি বাৰ বজাৰ সময়ত ল'ৰাৰ অৱস্থা বেছি বেয়া হৈ গ'ল,তেতিয়া মোৰ মনত ভয়ৰ সঞ্চাৰ হ'ল যে এইটো সাধাৰণ জ্বৰ নহয়,এইটো বেলেগ এটা বিপদ ।মই বৰ্ণনা কৰিব নোৱাৰো তেতিয়া মোৰ মনত কি অৱস্থা হৈছিল । খোদা নকৰক যদি ল'ৰাৰ মৃত্যু হৈ যায় তেতিয়া জালিম প্ৰকৃতিৰ মানুহৰ হাতত সত্য গোপন কৰাৰ সুযোগ আহি যাব ।এই অৱস্থাত মই অজু কৰিলো আৰু নামাজৰ কাৰণে থিয় দিলো । ঠিক থিয় হোৱাৰ লগে লগে মোৰ এনেকুৱা অৱস্থা হ'ল যি দোৱা গ্ৰহণযোগ্যৰ নিমিত্তে এটা সুস্পষ্ট নিদৰ্শন । মই সেই খোদাৰ কছম খাই কৈছো, যাৰ হাতত মোৰ প্ৰাণ আছে, সম্ভৱত মই তিনি ৰাকাত নামাজ পঢ়িছিলো ।সেই সময়ত মোৰ ওপৰত কাশ্বফী অৱস্থা ( দিব্য দৰ্শনৰ অৱস্থা) জাৰি হয় আৰু মই কাশ্বফত দেখিলো ল'ৰা জন সম্পূৰ্ণ ৰূপে সুস্থ আছে ।তাৰ পিছত কাশ্বফী অৱস্থা আতঁৰ হ'ব ধৰিলে,আৰু মই দেখিব পাৰিলো যে ল'ৰা জনে জ্ঞান ঘূৰাই পাইছে আৰু বিছনাত বহি পানী খুজি আছে । মই চাৰি ৰাকাত নামাজ শেষ কৰিলো । তৎক্ষণাৎ মই তেওঁক পানী দিলো আৰু তাৰ শৰীৰত হাত লগাই চালো জ্বৰৰ নাম নিচান নাই ।

(ৰুহানী খাজাইন, ২২ খন্ড, পৃঃ ৮৭-৮৮ অৱশিষ্ট টিকা হাকীকাতুল ওহী পৃঃ৮৫-৮৬)

**২১ নম্বৰ নিদৰ্শন** : অনুমানিক ত্ৰিশ (৩০) বছৰ পূৰ্বত মোৰ শ্ৰদ্ধেয় পিতা তাৰ শেষ বয়সত অসুস্থ হয় । খোদা তেওঁক ৰহম কৰক . যিদিনা তেখেতৰ মৃত্যু নিৰ্দ্ধাৰিত আছিল সেই দিনা দুপুৰীয়াত মোক ইলহাম হয়, **ওৱাছ ছামায়ে ওৱাত তাৰিক(ছুৰা তাৰিক :২)** আৰু লগে লগে মোৰ হৃদয়ত এই কথা ভাৱৰ উদ্ৰেক হয় এইটো তাৰ মৃত্যুৰ প্ৰতি ইঙ্গিত কৰিছে ।এই ইলহামৰ অৰ্থ এই যে কছম আকাশৰ আৰু কছম সেই দুৰ্ঘটনাৰ যি সূৰ্য্য অস্তৰ পিছত ঘটিব ।এইটো খোদা তায়লাৰ ফালৰ পৰা নিজ নিজ বান্দাৰ প্ৰতি সহানুভুতি আছিল । তেতিয়া মই বুজিব পাৰিলো যে মোৰ শ্ৰদ্ধেয় পিতা সুৰ্য্য অস্তৰ পিছত মৃত্যু হ'ব, আৰু কিছুমান ব্যাক্তিক মই এই ইলহামৰ সংবাদ দিছিলো । মই আল্লাহ তায়লাৰ কছম খাই কৈছো যাৰ হাতত মোৰ প্ৰাণ, আৰু যাৰ সম্পৰ্কে মিছা মাতা চয়তান ও অভিশপ্ত মানুহৰ কাম,এনেকুৱাই ঘটিল । (ৰুহানী খাজাইন খন্ড ২২, পৃঃ২১৮ হাকীকাতুল ওহী পৃঃ ২০৯)

সেই সময়ত তন্দ্ৰাছন্ন অৱস্থাত দ্বিতীয় ইলহাম হয় **আলায় ছাল্লাহু বিকাফিন আবদুহু** অৰ্থাৎ খোদা কি নিজৰ ভৃত্যৰ কাৰণে যথেষ্ট নহয় ? খোদাৰ এই ইলহাম হোৱাৰ লগে লগে হৃদয় এনেকুৱা শক্তিশালী হৈ গ'ল যেনেকুৱাএটা কঠোৰ যন্ত্ৰনাদায়ক ক্ষত কোনো মলমৰ দ্বাৰা অতি সোনকালে

আৰোগ্য হৈ যায় ।প্ৰকৃত পক্ষে মোৰ জীৱনত বাৰে বাৰে এই বিষয়টো পৰিলক্ষিত হৈছে যে হৃদয়ৰ প্ৰশান্তি খোদাৰ ওহীৰ পিছত লাভ কৰিব পৰা যায় ।আফচোচ, এইসকল মানুহৰ ইলহামৰ ধাৰণা কেনেকুৰা যে ইলহামৰ দাবী হোৱা সত্ত্বেও সিহঁতে এইটো কয় আমালোকৰ এই ইলহাম ধাৰণা প্ৰসূত ।নাজানো এইটো চয়তানী ইলহাম নে ৰহমানী ইলহাম । এনেকুৰা ইলহামৰ ক্ষতি সিহঁতৰ লাভত কৈ বেছি । কিন্তু মই খোদা তায়লাৰ কছম খাই কৈছো যে মই এই বিলাক ইলহামৰ ওপৰত সেই দৰে ঈমান আনো যিদৰে কোৰান শ্বৰীফৰ ওপৰত ঈমান আনো ।যেনেকুৰা মই কোৰান শ্বৰীফক নিশ্চিত ভাৱে খোদাৰ কালাম বুলি বিশ্বাস কৰো, ঠিক তেনেকুৰাই এই কালামকো বিশ্বাস কৰো যিবিলাক মোৰ ওপৰত অৱতীৰ্ণ হয় । এইবিলাকক মই খোদা তায়লাৰ কালাম বুলি বিশ্বাস কৰো ।

(ৰুহানী খাজাইন খন্ড ২২, পৃঃ ২১৯-২২০, হাকীকাতুল ওহী পৃঃ ২১০-১১)

**১০৫ নম্বৰ নিদৰ্শন :** এবাৰ মোৰ ভাই মৰহুম মিৰ্জা গোলাম কাদিৰ চাহাবৰ সম্পৰ্কে মোক সপোনত দেখুৱালে যে তেওঁৰ জীৱনৰ আৰু কিছু দিন বাকী আছে,বেছি বেছিকৈ ১৫ দিন । তাৰ পিছত এদিন খুব অসুস্থ হৈ পৰে । এনেকুৰা হৈ গ'ল যে মাথোন হাড় দেখা যায় আৰু ইমান দুৰ্বল হৈ পৰিল যে বিছনাৰ ওপৰত বহি থকা অৱস্থাত এনেকুৰা লাগিছে যে কোনোবা বিছনাৰ ওপৰত বহাই নাই ।অৰ্থাৎ খালি বিছনা । পেচাৰ-পায়খানা তাতেই কৰিছে । তেওঁ অজ্ঞান অৱস্থাত আছে । মোৰ পিতা মৰহুম মিৰ্যা গোলাম মৰতজা চাহাব বৰ দক্ষ্য চিকিৎসক আছিল । তেখেতে কলে, এতিয়া অৱস্থা নিৰাশাজনক ।মাথোন কিছু দিনৰ ব্যাপাৰ । মোৰ মাজত সেই সময়ত যুৱক বয়সৰ শক্তি আছিল আৰু মোৰ মাজত আধ্যাত্মিক শক্তিও আছিল । মোৰ প্ৰকৃতি এনেকুৰা আছিল যে মই সকলো বিষয়তে খোদাক শক্তিশালী বুলি বিশ্বাস কৰিছো । প্ৰকৃত পক্ষে কোনে তাৰ শক্তিৰ সীমা খুজি পায়, যি সকলো বিষয় তাৰ প্ৰতিশ্ৰুতিৰ পৰিপন্থী বা তাৰ মৰ্য্যদাৰ বিৰুদ্ধে আৰু তাৰ তৌহিদৰ বিপৰীত-এইবিলাকৰ বাহিৰে তাৰ ওচৰত একোৱে অসম্ভৱ নহয় ।সেয়েহে এনে অৱস্থাত মই তাৰ কাৰণে দোৱা কৰিব আৰম্ভ কৰিলো । মই মনে মনে স্থিৰ কৰি ললো যে এই দোৱা মই তিনিটা বিষয়ত নিজৰ তত্বজ্ঞান বৃদ্ধি কৰিব খোজো (১) প্ৰথম হ'ল, মই দেখিব খোজো খোদাৰ ওচৰত মোৰ দোৱা গ্ৰহণযোগ্য হোৱাৰ নিচিনা মোৰ যোগ্যতা আছে নে নাই । (২) দ্বিতীয়টা এই যে,যি সকল সপোন ও ইলহাম ভীতিপ্ৰদ আকাৰত আহে সেইটো কি পলম হ'ব পাৰে । (৩) তৃতীয় এই যে এই শ্ৰেণীৰ ৰোগী যাৰ মাজত খালি হাড় আছে দোৱাৰ ফলত তেওঁ ঠিক হ'ব পাৰেনে নাই ?মুঠ কথা হ'ল এই তিনিটা বিষয়ৰ ওপৰত ভিত্তি কৰি মই দোৱা কৰা আৰম্ভ কৰিলো ।অৰ্থাৎ কছম সেই সত্যৰ যাৰ হাতত মোৰ প্ৰাণ আছে, দোৱাৰ লগে লগে পৰিৱৰ্তন আৰম্ভ হৈ গ'ল । ইতিমধ্য মই আৰু এটা সপোন দেখিলো যে তেখেতে নিজৰ বিল্ডিংত নিজৰ ভৰিৰে চলি আছে,আৰু অৱস্থা এনেকুৰা আছিল যে বেলেগ ব্যাক্তি কাতি কৰি

আছিল ।যেতিয়া দোৱা কৰি কৰি ১৫ দিন পাৰ হৈ গ'ল তেতিয়া তাৰ মাজত স্বাস্থ্যৰ বাহ্যিক চিহ্নাৱলী সৃষ্টি হৈ গ'ল । তেখেতে ইচ্ছা প্ৰকাশ কৰিলে যে মোৰ মনত ইচ্ছা হয় মই যেন কিছু খোজ কাঢ়ো ।তেওঁ কিবা বস্তুৰ সহায়ত খোজ কাঢ়িব আৰম্ভ কৰিলে,তাৰ পিছত লাঠীডাল এৰি দিলে ।কিছু দিনৰ ভিতৰত সুস্ত হৈ গ'ল । তাৰ পিছত তেখেতে ১৫ বছৰ জীৱিত থাকে ।তাৰ পিছত মৃত্যুবৰণ কৰে ।(ৰুহানী খাজাইন খন্ড ২২, পৃঃ ২৬৫-২৬৬, হাকীকাতুল ওহী পৃঃ ২৫৩-২৫৪)

**১৩৫ নম্বৰ নিদৰ্শন:** প্ৰায় ২০ বছৰ ধৰি মই বহুমুত্ৰ ৰোগত আক্ৰান্ত । এবাৰ এই ৰোগৰ ধৰণ মোৰ চকুৰ দৃষ্টিৰ ব্যাপাৰে খুব আশঙ্কাজনক দেখা দিলে ।কাৰণ এনেকুৱা ৰোগীৰ চকুৰ পৰা পানী পৰাৰ বেছি ভয় থাকে । তেতিয়া খোদা তায়লাৰ নিজ কৃপাত মোক তাৰ এই ওহীৰ দ্বাৰা সান্তনা আৰু আৰোগ্য প্ৰদান কৰে । ওহীটো হ'ল,অৰ্থাৎ তিনিটা অঙ্গৰ ওপৰত ৰহমত নাযিল কৰা হৈছে । এটা হ'ল **চকু** আৰু দুটা অংগ যাৰ ব্যখ্যা দিয়া হোৱা নাই । মই খোদা তায়লাৰ কছম খাই কৈছো যে ১৫,২০ বছৰ বয়সত মোৰ যেনেকুৱা দৃষ্টি শক্তি আছিল আজি প্ৰয় ৭০ বছৰ বয়সতে মোৰ দৃষ্টিশক্তি তদ্ৰুপই আছে । অৰ্থাৎ এইটোৱেই সেই ৰহমত যাৰ প্ৰতিশ্ৰুতি খোদা তায়লাৰ ওহীত দিয়া হৈছিল ।

(ৰুহানী খাজাইন খন্ড ২২, পৃ: ৩১৯, হাকীকাতুল ওহী পৃ: ৩০৬)

**১৩৮ নম্বৰ নিদৰ্শন**ঃ স্মৰণ ৰাখিব লাগিব যে খোদাৰ ভৃত্যসকলৰ গ্ৰহণযোগ্যতা বুজাৰ নিমিত্তে দোৱা গ্ৰহণ হোৱাও এটা ডাঙৰ নিদৰ্শন হৈ থাকে । বৰং দোৱা কবুল হোৱাৰ নিদৰ্শনৰ সদৃশ বেলেগ কোনো নিদৰ্শনই নাই । কাৰণ দোৱা কবুল হোৱাৰ দ্বাৰা প্ৰমাণীত হয় যে খোদাৰ দৰবাৰত এক বান্দাৰ মৰ্য্যদা ও সন্মান আছে যদিও প্ৰত্যেক সময়ত দোৱা কবুল হৈ যোৱাটো আৱশ্যকীয় বিষয় নহয় । কেতিয়াবা কেতিয়াবা মহাপ্ৰতাম্বিত ও সন্মানিত খোদা নিজৰ ইচ্ছাও অটল(প্ৰতিষ্ঠিত) ৰাখে । কিন্তু ইয়াত কোনো সন্দেহ নাই খোদাৰ গৃহীত ভৃত্যসকলৰ বাবেএইটো এটা নিদৰ্শন যে, অন্যান্য সকলৰ তুলনাতবেছি বেছি দোৱা গ্ৰহনযোগ্য হয় আৰু বেলেগ কোনোবা দোৱা কবুলিয়তৰ (গ্ৰহনযোগ্যতাৰ) মৰ্য্যদাত সিহঁতৰ তুলনা কৰিব নোৱাৰে । মই খোদা তায়লাৰ কছম (শপত) খাই ক'ব পাৰো মোৰ হাজাৰ হাজাৰ দোৱা কবুল হৈছে । যদি মই সকলোবিলাক লিখো তেনেহলে এখন ডাঙৰ পুস্তক হৈ যাব ।

(ৰুহানী খাজইন খন্ড ২২, পৃ: ৩৩৪, হাকীকাতুল ওহী নিশানে ছাদাকাত পৃ: ৩২১)

মই সেই আল্লাহৰ শপত (কছম) খাই কওঁ যাৰ হাতত মোৰ প্ৰাণ আছে,যিয়ে মোক প্ৰেৰণ কৰি নবী ও মছীহ মাওউদ নামে আখ্যায়িত কৰিছে আৰু মোৰ সহায়ৰ কাৰণে ডাঙৰ ডাঙৰ নিদৰ্শন প্ৰকাশ কৰিছে,যাৰ সংখ্যা তিনি লাখ মান হ'ব ।তাৰ কিছু অংশ এই পুস্তকত লিখা হ'ল ।

(ৰুহানী খাজাইন খন্ড ২২, পৃ: ৫০৩, তাতিম্মা

হাকীকাতুল ওহী পৃ: ৬৮)

## মোৰ ভৱিষ্যতবাণী অনুযায়ী আমেৰিকাৰ বাসিন্দা ডঃআলেকজেন্ডাৰ ডুই মিছলীয়া নবী দাবীদাৰ ধ্বংস হয়।

**নিদৰ্শন নং ১৯৬ঃ** উল্লেখ থাকিল যে উপৰোক্ত ব্যাক্তি ইছলামৰ চৰম শক্ৰ হোৱাৰ বাহিৰে মিছা নবী হোৱাৰ দাবী কৰিছিল আৰু হজৰত মহম্মদ (ছাঃ)ক মিছলীয়া বুলি কৈছে, তেখেত (ছাঃ) সম্পৰ্কে অশ্লীল ভাষা প্ৰয়োগ কৰিছে আৰু তাৰ ভিতৰত এনেকুৱা বেয়া অভ্যাস আহি গৈছিল যে ঈৰ্ষা ও বিদ্বেষৰ কাৰণে ইছলামী শিক্ষাক বেয়া বুলি ভাৱিছে যেনেকুৱা গাহৰিৰ সন্মুখত মনিমুক্তাৰ কোনো মূল্য নাই তেনেকুৱা ভাৱে ইছলামক ঘৃণাৰ দৃষ্টিত দেখিছে আৰু ইছলামক নিৰ্মূল কৰিব খুজিছিল। বেলেগ ফালে হজৰত ঈছা (আঃ) ক ঈশ্বৰ বুলি বিশ্বাস কৰি ত্ৰিত্ববাদক পৃথিৱীত বিয়পাবলৈ অন্যান্য পাদৰীসকলৰ তুলনাত তেওঁৰ মাজত অত্যাধিক উদ্দীপনা আছিল।

(ৰুহানী খাজাইন খন্ড ২২, পৃঃ ৫০৪,৫০৫, তাতিম্মা হাকীকাতুল ওহী পৃঃ ৬৯)

কাৰণ মোৰ আচল কাম হ'ল ক্ৰুছক ধ্বংস কৰা আৰু আলেকজেন্ডাৰ ডুইৰ মৃত্যুৰ পিছত ক্ৰুছৰ ডাঙৰ অংশ ধ্বংস হৈ গৈছিল। গোটেই পাদৰীসকলৰ মাজত ডুই ত্ৰিত্ববাদৰ ওপৰত প্ৰৱল বিশ্বাসী আছিল আৰু লগতেই নবী হোৱাৰ দাবী কৰিছিল আৰু কৈছিল যে, মোৰ অভিশাপত সকলো মুছলমান ধ্বংস হ'ব আৰু ইছলাম ধৰ্ম বিনাশ হৈ যাব। খানা কাবা বিলুপ্ত হৈ যাব। আল্লাহ তায়লা মোৰ দোৱাৰ প্ৰতিফলস্বৰূপে তেওঁক ধ্বংস কৰিছে। মই জানো যে ডুইৰ মৃত্যুৰ ফলত গাহৰি বধ কৰাৰ ভৱিষ্যত বাণীটো অতি সুন্দৰ ভাৱে পূৰ্ণ হৈছে। কাৰণ তেওঁতকৈ অধিক হিংস্ৰ ও ভয়ঙ্কৰ ব্যাক্তি কোন হ'ব পাৰে ? যি ব্যাক্তি অসৎ পথ অৱলম্ভন কৰি নবী হোৱাৰ দাবী কৰিছে যি ব্যাক্তি গাহৰিৰ নিচিনা দুৰ্গন্ধ যুক্ত খাদ্য খাইছে, ডুই নিজেই লিখিছে যে ধনী মানুহ তেওঁৰ অনুসৰণকাৰীৰ সংখ্যা এক লাখৰও অধিক। অৰ্থাৎ **মুছাইলিমা বিন কাজ্জাব ও আছৱাদ আনাছী,** ডুইৰ তুলনাত একোৱেই নহয়। সিহঁতে ডুইৰ নিচিনা খ্যাতি সম্পন্নও ধনশালী নাছিল। এয়াই সেই( ( শ্বোৰ ) গাহৰি যিয়ে হজৰত মছীহ মাওউদ (আঃ) ৰ হাতত বধ হ'ব বুলি হজৰত মহম্মদ (ছাঃ) য়ে সংবাদ দিছিল। (ৰুহানী খাজাইন ২২ খন্ড পৃঃ ৫১৩, তাতিম্মা হাকীতুল ওহী পৃঃ ৭৭)

## তিনি হাজাৰ টকাৰ পুৰুস্কাৰৰ বিজ্ঞাপন

**আব্দুল্লাহ আথম সম্বন্ধে হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে, :**-আথম মোৰ উপস্থিতিত জনসাধাৰণৰ সন্মুখত কছম খাওঁক যে মই নিৰ্দ্ধাৰিত ভৱিষ্যতবানীৰ সময় কালৰ মাজত ইছলামৰ ফালে প্ৰত্যাবৰ্ত্তন কৰা নাই

আৰু ইছলামৰ শিক্ষা ও সত্যতাত মোৰ মন প্ৰভাৱিত হোৱা নাই, মোৰ মনত ভৱিষ্যত বাণীৰ আধ্যাত্মিক প্ৰভাৱ পৰা নাই বৰং মই ঈছা মছীহৰ ঈশ্বৰত, পুত্ৰত্ব, প্ৰায়শ্চিত্বৰ ওপৰত পূৰ্ণ বিশ্বাস ৰাখো। যদি মই বিপৰীত কৈ থাকো অথবা আচল ঘটনাক লুকাই থাকো তেন্তে সৰ্বশক্তিমান খোদা মোক এবছৰৰ মাজতেই এনেকুৱা ভয়ানক শাস্তিৰ দ্বাৰা ধ্বংস কৰক। যেনেকুৱা শাস্তি মিছলীয়া সকলৰ ওপৰত হোৱা উচিত। মোৰ এই ধৰণৰ কছম খোৱাৰ কাৰণে আজিলৈকে তিনি হাজাৰৰ অধিক প্ৰচাৰ পত্ৰ বিতৰণ কৰিছো । **মই শপত খাই কৈছো যে,৯ চেপ্তেম্বৰ ১৮৯৪ চনৰ প্ৰচাৰ পত্ৰৰ চৰ্তানুযায়ী তিনি হাজাৰ টকা** , কছম খোৱাৰ পূৰ্বে দি দিয়া হ'ব আৰু তাৰ পিছত কছম খোৱাৰ কাৰণে কোৱা হ'ব। এতিয়াও কোনোবাৰ বিশ্বাস হয় নে যে আব্দুল্লাহ আথম কছম খোৱাৰ কাৰণে প্ৰস্তুত হ'ব ? কেতয়াও নহয়, তেওঁ মিছলীয়াৰ দৰে মৃত্যুবৰণ কৰিছে, কবৰৰ পৰা আকৌ ঘূৰি অহা সম্ভৱ নে ?

মজমুৱা ইশ্বতেহাৰ ২য় খন্ড, পৃঃ ৬৪-৬৬, প্ৰকাশক আশ শিৰকাতুল ইছলামীয়া ৰাবোৱা।

## তাজাল্লিয়াতে ইলাহিয়া বা ঐশী বিকাশ

এয়া হ'ল আমালোকৰ আলিমসকলৰ অৱস্থা, সিহঁতে কোৰান শ্বৰীফ আৰু হাদীছ অধ্যায়ন কৰা সত্ত্বেও ভীতি প্ৰদৰ্শনকাৰী ভৱিষ্যতবানী ও প্ৰতিশ্ৰুতি মূলক ভৱিষ্যতবাণীৰ মাজত পাৰ্থক্য কৰিব নাজানে।

আব্দুল্লাহ আথমৰ ঘটনাৰ পিছত, লেখৰাম সম্বন্ধীয় ভৱিষ্যতবাণী স্পষ্ট ভাৱে পূৰ্ণ হয়, যাৰ মাজত কোনো চৰ্ত নাছিল মৃত্যুৰ সময় আৰু মৃত্যুৰ ধৰণ স্পষ্ট ভাৱে উল্লেখ আছিল। কিমানেই সুস্পষ্ট ভাৱে এই ভৱিষ্যতবাণী পূৰ্ণ হৈছে সেয়া অলপ চিন্তা কৰিলে বুজিব পৰা যায় কিন্তু ঈৰ্ষাৰ কাৰণে সিহঁতৰ হৃদয় কলুষিত হৈ আছে। আলিম সকলৰ দৃষ্টিত সঁচা-মিছা প্ৰমাণ কৰাৰ বাবে লেখৰামৰ ভৱিষ্যতবাণীটোয়ে যথেষ্ট আছিল। কিছু ভৱিষ্যতবাণী সম্পৰ্কে সমালোচনা নকৰি সিহঁতে যদি মোক সুধিলেহে যে পূৰ্ণকৃত ভৱিষ্যতবাণীৰ সংখ্যা কিমান ? তেতিয়া সিহঁতৰ ভূল ধাৰণা দূৰ হৈ গ'লহে। কিছুমান ভীতিমূলক ভৱিষ্যতবাণী, যাৰ লগতে চৰ্ত আছিল, প্ৰতিক্ষয় ভয় পোৱাৰ কাৰণে সেই ভৱিষ্যতবাণীৰ সময়কাল দীৰ্ঘ হৈ যায়, ভয়ভীতি মূলক ভৱিষ্যতবাণী তৌওবা, দান, দোৱাৰ দ্বাৰা শেষ হৈ যায় আৰু মই আল্লাহৰ শপত খাই ক'ব পাৰো যে এইটোই আল্লাহ তায়লাৰ পূৰ্ব নিয়ম।

(ৰুহানী খাজাইন খন্ড ২০, পৃঃ ৪০৬-৪০৮, তাজাল্লিয়া তে ইলাহিয়া পৃঃ ১৭-১৯)

মোৰ অজ্ঞ বিৰোধীসকলক আল্লাহ তায়লা বিভিন্ন ধৰণৰ নিদৰ্শন দেখুৱাই অসন্মানিত কৰি থাকে। মই সেই আল্লাহৰ শপত খাই কওঁ যিহজৰত ইব্রাহীম (আঃ), ইছমাইল (আঃ), ইয়াকুব (আঃ). ইয়ুছুফ (আঃ), মুছা (আঃ), মছীহ ইবনে মৰিয়ম (আঃ) আৰু সৰ্বশেষত আমাৰ নবী হজৰত মহম্মদ (ছাঃ) ৰ লগত কথা পাতিছে আৰু তেখেত (ছাঃ) ৰ ওপৰত উজ্জ্বলময় ভৱিষ্যতবাণী অৱতীৰ্ণ কৰিছে। ঠিক সেই দৰে আল্লাহ তায়লা মোৰ লগতো কথোপকথনৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে।মই মাথোন হজৰত মহম্মদ (ছাঃ)ৰ অনুসৰণৰ মাধ্যমত এই সৌভাগ্য লাভ কৰিছোঁ। যদি মই হজৰত মহম্মদ (ছাঃ) ৰ অনুসৰণ নকৰিলোহেঁ আৰু যদি মোৰ সু-কৰ্ম পৃথিৱীৰ গোটেই পাহাৰৰ নিচিনা হ'লহেঁ তথাপি মই আল্লাহ তায়লাৰ লগত কথোপকথনৰ সৌভাগ্য লাভ কৰিব নোৱাৰিলোহেঁ।এতিয়া শ্বৰীয়ত বিহীন ও উম্মতী নবী অহাৰ দৰজা খোলা আছে আৰু শ্বৰীয়ত ধাৰী নবী অহাৰ বাট বন্ধ হৈ আছে।

ৰুহানী খাজাইন, খন্ড ২০, পৃঃ৪১১-৪১২, তাজাল্লিয়াতে ইলাহিয়া পৃঃ ২৪-২৫)

## ছিৰাজুল মুনীৰ

যেনেকুৱা লেখৰামৰ মৃত্যুত মোৰ মন আনন্দত ভৰি উঠিছে, বেলেগ ফালে দু:খিত হৈছো, যদি লেখৰাম প্ৰত্যাবৰ্তন কৰিলোহেঁ,কমপক্ষে অশ্লীল ভাষা প্ৰয়োগ কৰাৰ পৰা বিৰত থাকিলেহেঁ তেতিয়া মই আল্লাহ তায়লাৰ শপত খাই কৈছো যে লেখৰাম যদি টুকুৰা-টুকুৰাও হৈ গ'লহেঁ তথাপি মোৰ দোৱাৰ মাধ্যমত বাচি গ'লহেঁ। মই সেই আল্লাহক জানো যি সৰ্ব শক্তিমান,কোনো বিষয়ও তাৰ ক্ষমতাৰ বাহিৰত নহয়, আৰু ভৱিষ্যতবাণীটো সুস্পষ্ট ৰূপে পূৰ্ণ হোৱাৰ কাৰণে মই আনন্দ বোধ কৰিছোঁ।

( ৰুহানী খাজাইন খন্ড ১২, পৃ: ২৮, ছিৰাজুম মুনিৰ পৃ: ২৪)

**১২ নম্বৰ ভৱিষ্যতবাণী, যিটো বৰাহিনে আহমদীয়াৰ ২৩৮-২৩৯ পৃষ্ঠাত কোৰান শ্বৰীফ সম্পৰ্কিত জ্ঞান সম্পৰ্কে বৰ্ণনা কৰা হৈছে,** যাৰ মূল সাৰাংশ হ'ল:আল্লাহ তায়লা কৈছে তোমাক এনেকুৰা কোৰানৰ জ্ঞান দিয়া হৈছে যিয়ে মিছাক নিৰ্মূল কৰিব, সেই ভৱিষ্যতবাণীত কৈছে দুজন ব্যাক্তিৰ ওপৰত কৃপা বৰ্ষণ কৰা হৈছে.প্ৰথম হ'ল: শিক্ষক,মহম্মদ মোস্তফা (ছাঃ) আৰু দ্বিতীয় হ'ল ছাত্ৰ, অৰ্থাৎ এই পুস্তকৰ লিখক কোৰান শ্বৰীফৰ নিম্ন লিখিত আয়াত সেইফালেই ইঙ্গিত কৰিছে:- وَآخَرِينَ مِنْهُمْ لَمَّا يَلْحَقُوا بِهِمْ (ছুৰা জুমা :৪)

অৰ্থাৎ এই নবীৰ আৰু অনুসৰণকাৰী আছে যিসকলে এতিয়াও সন্মিলিত হোৱা নাই, সিহঁতে শেষ যুগত সন্মিলিত হ'ব। উপৰোক্ত আয়াতটি এই অধমৰ ফালে ইঙ্গিত কৰিছে।যেনেকুৰা ইলহামতো উল্লেখ আছে যে এই অধম আধ্যাত্মিক ফালৰ পৰা হজৰত মহম্মদ (ছাঃ) ৰ ছাত্ৰসকলৰ মাজত অৰ্ন্তভুক্ত। এই ভৱিষ্যতবাণী কোৰান শ্বৰীফৰ শিক্ষাৰ প্ৰতি আমালোকক দৃষ্টি আকৰ্ষণ কৰিছে। এই ভৱিষ্যতবাণীৰ সত্যতা প্ৰকাশৰ কাৰণে পুস্তক, কেৰামাতুছ ছাদিকিনত লিখা হৈছে যাৰ সম্পৰ্কে প্ৰতিদ্বন্ধী ধৰ্মজ্ঞানী ব্যাক্তিসকল কোনো সমালোচনা কৰা নাই।মই সেই আল্লাহৰ শপত খাই কৈছো যাৰ হাতত মোৰ প্ৰাণ আছে, আল্লাহ তায়লা মোক অন্যান্য মানুহৰ তুলনাত কোৰান সম্পৰ্কে অধিক তত্ত্বজ্ঞান প্ৰদান কৰিছে। বহুত ধৰ্মজ্ঞানীসকলক মই কোৰান শ্বৰীফৰ তত্ত্বজ্ঞানৰ প্ৰতিদ্বন্ধিতা কৰাৰ কাৰণে আহ্বানকৰিছো কিন্তু কোনেও অহা নাই। যদি সিহঁতৰ মাজত কোনোবা কোৰান শ্বৰীফৰ তফছিৰ উপস্থাপন কৰাৰ কাৰণে আহিলেহেঁতেন,তেতিয়া তেওঁ অপমান আৰু লাঞ্চিত হ'লহেঁতেন। কোৰান শ্বৰীফৰ যি জ্ঞান মোক দিয়া হৈছে সেইটো আল্লাহ তায়লাৰ ফালৰ পৰা এটা ডাঙৰ নিদৰ্শন।

(ৰুহানী খাজাইন খন্ড ১২, পৃ: ৪০-৪১, ছিৰাজুম মুনিৰ পৃ:৩৫)

বৰাহিনে আহমদীয়া পুস্তকৰ ২২৭ নং পৃষ্ঠাত **মালাওয়ামল** নামৰ এজন আৰ্য্য ব্যাক্তি সম্পৰ্কে এটি ভৱিষ্যতবাণী আছে সি এতিয়াও জীৱিত আছে। এবাৰ তেওঁ যক্ষা ৰোগত আক্ৰান্ত অৱস্থাত নিজৰ জীৱনৰ ওপৰত ভৰসাহীন হৈ কান্দি কান্দি মোৰ ওচৰত আহি এটা দুঃস্বপ্ন বৰ্ণনা কৰে। এটা বিষাক্ত সাপে তেওঁক দৰ্শন কৰে যাৰ ফলত সাপৰ বিষ গোটেই শৰীৰত বিয়পি পৰে। অৰ্থাৎ যক্ষা ৰোগত আক্ৰান্ত অৱস্থাত এই স্বপ্নটো দেখাৰ পিছত তেওঁ বেছি ভীতিগ্ৰস্থ হৈ পৰে। তাৰ কান্দা দেখি মোৰ হৃদয় খুবই কোমল হৈ পৰে ইয়াৰ পূৰ্বে আৰ্যানুসাৰী **শ্বৰমপথ** নামৰ ব্যাক্তিৰ কাৰণে যেনেকুৰা দোৱা কৰিছিলো তেনেকুৰাই এই ব্যক্তিৰ কাৰণেও দোৱা কৰো। দোৱা কৰা অৱস্থাতে মোৰ ইলহাম হয় যি বাৰাহিনে আহমদীয়াৰ ২২৭ নং পৃষ্ঠাত উল্লেখিত আছে।

قُلْنَا يَا نَارُ كُونِي بَرْدًا وَسَلَامًا অৰ্থাৎ মই অগ্নিক কলো, হে অগ্নি ঠাণ্ডা হৈ যোৱা।

মই যদি ন্যায় বিচাৰৰ দৃষ্টিত চাওঁ তেতিয়া সকলো নবীতকৈ বীৰ, সাহসী, জীৱিত নবী, আল্লাহ তায়লাৰ অতি প্ৰিয় নবী এজনকে দেখিবলৈ পাওঁ ।তেখেত হ'ল সকলো নবীৰ চৰ্দাৰ, সকলো নবী ও ৰচুল সকলৰ মূৰৰ মুকুট হজৰত মহম্মদ (ছাঃ) । পূৰ্ববৰ্তী যুগত হাজাৰ বছৰ তপস্যা কৰিলে যি আধ্যাত্মিক শক্তি লাভ কৰিব পৰা গ'লহে আজি হজৰত মহম্মদ (ছাঃ) ৰ দহ দিন অনুসৰণ কৰিলে তাতোকৈ অধিক আধ্যাত্মিক শক্তি অৰ্জন কৰা সম্ভৱ ।পূৰ্ববৰ্তী বহুতো ঐশী পুস্তক আছে যাৰ অনুসৰণ কৰিলে আমালোকৰ হৃদয় কলুষিত হৈ থাকিব ।এই বিলাকক কি জীৱিত নবী বুলি ক'ব পৰা যাব নে ? যিসকলৰ প্ৰভাৱত আমালোক (আধ্যাত্মিক ভাৱে) প্ৰাণহীন হৈ যাওঁ ।এইটো অৱশ্যই চিন্তা কৰাৰ প্ৰয়োজন যে মৃত ব্যাক্তিক মৃতকে কেতিয়াবা আধ্যাত্মিক জ্যোতি প্ৰদান কৰিব পাৰে নে ? ঈছাৰ উপাসনা কৰাৰ অৰ্থ হ'ল মূৰ্তি পূজা কৰা ।মই সেই আল্লাহৰ শপত খাই কওঁ যাৰ হাতত মোৰ প্ৰাণ আছে, যদি ঈছা মোৰ যুগৰ মানুহ হ'লহে তেন্তে অত্যন্ত শ্ৰদ্ধাৰ সৈতে মোৰ পক্ষে সাক্ষী দিলেহে ।এই কথা কোনোবা বিশ্বাস কৰক বা নকৰক এইটো সত্য আৰু অৱশেষত সত্যৰ জয় হৈয়ে থাকে ।

(ৰুহানী খাজাইন খন্ড ১২, পৃঃ ৪২, ছিৰাজুম মুনিৰ পৃঃ ৭২-৭৩)

## বাৰাকাতুত দোৱা

### ( দোৱাৰ কল্যাণসমূহ)

এতিয়া মই মাথোন আল্লাহ তায়লাৰ সন্তষ্টি লাভৰ উদ্দেশ্যত মোৰ ব্যাক্তিগত উদ্দেশ্য উপস্থাপন কৰিছো, যাতে আল্লাহ তায়লা ছৈয়দ চাহাবৰ ওপৰত কৃপা বৰ্ষিত কৰে । । হে প্ৰিয় ছৈয়দ চাহাব; মই আল্লাহ তায়লাৰ শপত খাই কওঁ,যে সূৰ্য্যৰ পোহৰ যেনেকৈ দেৱালত পৰি থাকে তেনেকুৱাই খোদাৰ ওহী আকাশৰ পৰা মনৰ (হৃদয়ৰ)গভীৰত অৱতৰণ কৰি থাকে ।এইটো মোৰ নিত্যদিনৰ অভিজ্ঞতা,ঐশী কথোপকথোনৰ সময় হঠাৎ মোৰ ওপৰত এক ধৰণৰ স্বপ্নাচ্ছন্ন অৱস্থা আহি যোৱাৰ ফলত মই এটা পৰিৱৰ্তনশীল বস্তুৰ দৰে হৈ যাওঁকিন্তু মোৰ বিবেক বুদ্ধি ঠিক কাম কৰি থাকে । তেতিয়া মনত হয় যেএটি পৱিত্ৰ শক্তি মোৰ সকলো শক্তিক এঠাইত একত্ৰিত কৰি দিয়ে আৰু মোৰ মনোভাৱ হয় যে মোৰ শৰীৰৰ গোটেই বিলাক শিৰা উপশিৰা সেই অদৃশ্য শক্তিৰ হাততে আছে আৰু যিবিলাক মোৰ নিয়ন্ত্ৰণতে আছিল,গোটেই বিলাক তাৰ নিয়ন্ত্ৰণত গুচি গৈছে । ( ৰুহানী খাজাইন খন্ড ৬, পৃঃ ২২, বাকী হাশ্বীয়া বাৰাকাতুত দোৱা পৃঃ ১৮)

অৱশেষত মই সকলো মুছলমানসকলক উপদেশ স্বৰূপে ক'ব বিচাৰো যে আজি ইছলাম শোচনীয় ও অত্যন্ত মৰ্মান্তিক অৱস্থাৰ মাজেদি চলি আছে ।গতিকে ইছলামক পুনৰ্জীৱন দান কৰাৰ বাবে জাগ্ৰত হওক ।মই এই মৰ্মান্তিক অৱস্থা দূৰ কৰাৰ কাৰণে আহিছো, মোক আল্লাহ তায়লা কোৰান শ্বৰীফৰ মূল তত্বৰ জ্ঞান প্ৰদান কৰিছে । গতিকে মোৰ ওচৰলৈ

আহা, যাতে এই জ্ঞানৰ পৰা তোমালকেও লাভবান হ'ব পাৰা । মই সেই আল্লাহৰ শপত খাই কওঁ যে, যাৰ হাতত মোৰ প্ৰাণ আছে, আল্লাহ তায়লা মোক এই ভয়াবহ ফেতনাৰ সময়ত প্ৰেৰণ কৰিছে । কাৰণ এই যুগৰ প্ৰথমে এজন মুজাদ্দিদ (সংস্কাৰক)অহাটো একান্ত প্ৰয়োজন আছিল । অতি সোনকালে মোৰ কামৰ দ্বাৰা মোৰ পৰিচয় পাব ।

(ৰুহানী খাজাইন খন্ড ৬, পৃঃ৩৬, বাৰাকাতুত দোৱা পৃঃ ৩১)

## সনাতন ধৰ্ম

মৌলৱী আহমদ হাছান আমৰোহী এনেকুৱা বিজ্ঞাপন প্ৰকাশ ও প্ৰচাৰৰ পিছত যি বিজ্ঞাপন তেওঁ আল্লাহৰ নামত শপত খাই লিখিব, ইয়াৰ পিছত যদি তেওঁ আমৰোহাক ৰক্ষা কৰিব পাৰে আৰু কমপক্ষে সিহঁতে তিনিটা শীতকাল শান্তিত নিৰাপদে কটাব পাৰে তেনেহলে মই খোদাৰ ফালৰ পৰা নহয় । অৰ্থাৎ ইয়াতকৈ ডাঙৰ সিদ্ধান্ত আৰু কি হ'ব পাৰে ? মই য়ো শপত খাই কওঁ, মই মছীহ মাওউদ (প্ৰতিশ্ৰুত মছীহ) আৰু সেই ব্যাক্তি যাৰ আগমনৰ খবৰ নবীসকলে দি গৈছে । মোৰ সম্পৰ্কে আৰু মোৰ এই যুগ সম্পৰ্কে তৌৰাত, ইঞ্জিল আৰু কোৰান মজিদত খবৰ লিখা আছে । কোৱা হৈছে সেই যুগত আকাশত চন্দ্ৰ সূৰ্য্যৰ গ্ৰহণ লাগিব । পৃথিৱীত মহামাৰীৰ আক্ৰমণ হ'ব আৰু এই টো মোৰ বাবে নিদৰ্শন স্বৰূপ হ'ব ।(ৰুহানী খজাইন খন্ড ১৯, পৃঃ ২৩৮, দাফেউল বালা মিয়াৰ আহলুল ইস্তফা বা অনুমান তাউন পৃঃ ১৮)

মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে খোদাৰ বাণীক বুজি লোৱাৰ নিমিত্তে প্ৰথমে প্ৰকৃতিৰ উত্তেজনাৰ পৰা নিজকে মুক্ত কৰিব লাগিব, তেতিয়াহে অন্তৰত ঐশী জ্যোতিৰ অৱতৰণ ঘটিব । আল্লাহ তায়লা কৈছে, অৰ্থাৎ এই ঐশী বাণীৰ ৰহস্য ভেদ কৰা পৱিত্ৰতা বিহনে অসম্ভৱ ।

(ৰুহানী খাজাইন খন্ড ১৯, পৃঃ ৪৭৩-৪৭৪, সনাতন ধৰ্ম পৃঃ ৬)

## হাশ্বীয়া আৰবাইন

অনুশোচনাৰ বিষয়, পীৰ মেহেৰ আলী শ্বাহৰ লগত মোৰ এটা জ্ঞানীয় নিদৰ্শনৰ প্ৰতিযোগীতা আছিল কিন্তু অজ্ঞ মানুহে তাৰ মিছা বিজয়ৰ ডঙ্কা বজাই এই প্ৰতিযোগীতাত মোক অজ্ঞ ও বিবেকহীন ঘোষনা কৰি মোক গালি দিয়ে । সিহঁতে এয়াও কৈছিল যে পীৰ মেহেৰ আলী শ্বাহ কোৰান শ্বৰীফৰ ব্যাখ্যাৰ কাৰণে লাহোৰ আহিছিল কিন্তু মই তাৰ উচ্চ মৰ্যদা আৰু জ্ঞান দেখি পলায়ন কৰিছো । হে আল্লাহ : মিছলীয়াৰ ওপৰত অভিশাপ বৰ্ষণ কৰা ।সন্মানীয় দৰ্শক মণ্ডলী: আজি ৭ ডিচেম্বৰ ১৯০০ খ্ৰীষ্টাব্দ,জুমাৰ দিনত আল্লাহ তায়লা মোৰ হৃদয়ত মিছলীয়াক অসন্মানিত কৰাৰ কাৰণেএটি

কথাৰ উদ্রেক  ঘটিছে। মই আল্লাহ্ তায়লাৰ শপত খাই কওঁ যে, যিটো দোজখ মিছলীয়াসকলৰ  কাৰণে জ্বলি আছে, যদি পীৰ মেহেৰ আলী শ্বাহ লিখিত মোবাহেছা আৰু তাৰ লগত বয়াতৰ চৰ্ত নাৰাখিলোহৈ,তেতিয়া মই পীৰ চাহাবৰ বিৰোধীতাৰ ফালে লক্ষ্য ৰাখি সেই প্রতিযোগীতাত তাৰ সন্মুখীন হোৱাৰ কাৰণে যদি কাদিয়ানত বৰফৰ পাহাৰ আৰু অতি ডাণ্ডা থাকিলেহৈ এয়া থকা সত্ত্বেও লাহোৰ উপস্থিত হৈ স্বৰ্গীয় নিদৰ্শন কাক কোৱা হয় সেইটো দেখুৱাই দিলোহেঁতেন।

(ৰুহানী খাজাইন খণ্ড ১৮, পৃঃ ৪৪৮-৪৪৯, হাশ্বীয়া আৰবাইন ৪, পৃঃ ১৭-১৮)

## (ফুটনোট) পুস্তিকা আনজামে আথম

আল্লাহ তায়লা  আন্তৰিক ও বাহ্যিক মোৰ শাৰীৰিক ও আধ্যাত্মিক, মোৰ সকলো অঙ্গ প্রতঙ্গৰ মাজত আল্লাহ তায়লাৰ অসংখ্য কৃপা আছে, যি গণনা কৰা মোৰ পক্ষে অসম্ভৱ আৰু বেলেগ ফালে আল্লাহ তায়লা মোক মিছলীয়াৰ দৰে ধ্বংসও কৰা নাই। হে আল্লাহ ভীৰু সকল: তোমালোকৰ কাৰণে এই নিদৰ্শন কি যথেষ্ট নহয় ? আল্লাহ তায়লাডেকা কালতে মোৰ ওপৰত প্রথম ওহী  অৱতীৰ্ণ কৰিছিল,যাৰ সময়কাল ২০ বছৰ অতিবাহিত হৈ গৈছে। এতিয়া মই বৃদ্ধ হৈ গৈছো। মোৰ বহুত বন্ধু-বান্ধৱ আছে যিসকলে বয়সত মোতকৈ বহুত কম আছিল, সিহঁতেওঁ এই পৃথিৱীৰ পৰা বিদায় লৈছে। আল্লাহ তায়লা মোৰ আয়ু বৃদ্ধি কৰিছে,  আৰু প্রত্যেক বিপদৰ সময়ত মোৰ সাহায্য কৰিছে। অৰ্থাৎ  যিসকলে আল্লাহ তায়লাৰ ওপৰতমিছা প্রতিপাদন কৰে তেওঁক সিহঁতৰ কি এই ধৰণৰ নিদৰ্শন হৈ থাকে ? যদি এতিয়াও মৌলৱী চাহাব সকলে মোক মিছলীয়া বুলি ভাবে তেন্তে সমাধানৰ আৰু এটা উপায় আছে, আৰু সেইটো হ'ল,মই মোৰ প্রকাশকৃত সকলো ইলহামক লৈ মৌলৱী চাহাবৰ লগত মোবাহেলা কৰিব খোজো।

এইভাৱে মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মোক ইলাহি  বাৰ্তা লাভৰ সৌভাগ্য প্রদান কৰা হৈছে। ইছলামৰ মাজত যিসকল কুসংস্কাৰ বিৰাজমান আছে সেইবিলাকক দূৰ কৰাৰ কাৰণে আৰু ক্রুছক ধ্বংস কৰাৰ বাবে আল্লাহ তায়লা মোক ১৪ শ শতাব্দীৰ আৰম্ভণীত ঈছাৰ নামত নামাকৰণ কৰি এই পৃথিৱীত প্রেৰণ কৰিছে।

(ৰুহানী খাজাইন খণ্ড ১১, পৃঃ ৫০-৫১, আনজামে আথম পৃঃ ৫০-৫১)

আমালোকৰ প্রতিপক্ষ  যিসকলে বিপদত জৰ্জৰিত, আল্লাহ্ তায়লাৰ অশেষ কৃপাত যিসকলে বিপদৰ পৰা ৰক্ষা পাইছে। মই আল্লাহ তায়লাৰ শপত খাই ক'ব পাৰো যে মোবাহেলাৰ পূৰ্বৰ যিসকল আধ্যাত্মিক ও পাৰ্থিৱ কৃপা ও ৰহমত আমাৰ ওপৰত নাজিল হৈছিল, তাতকৈ অধিক বৰকত

মোবাহেলাৰ পিছত নাজিল হ'ব ধৰে ।

(ৰুহানী খাজাইন খণ্ড ১১, পৃঃ ৩১৪, জামিমা আনজামে আথম পৃঃ ৩০)

যদি এই সকলোবিলাক কথা অনুসাৰে কাৰ্য্য নকৰা হয় তেনেহলে কোনোবা অপপ্ৰচাৰ অশ্লীল ভাষা প্ৰয়োগ নকৰিব, সকলোৱে সকলোকক ভাল পাব । আল্লাহ তায়লাৰ শাস্তিক ভয় কৰি সাধাৰণ মুছলমানসকলৰ নিচিনা আমালোকৰ লগত মিলা-মিলি কৰিব,প্ৰত্যেক প্ৰকাৰৰ অনিষ্ঠাতাৰ পৰা বিৰত থাকিব বুলি মোৰ আৰু মোৰ জামাতৰ লগত ৭ বছৰৰ বাবে সন্ধি কৰা হওক আৰু সন্ধিৰ ৭ বছৰৰ মাজতে যদি মই মোৰ ফালৰ পৰা আল্লাহ তায়লাৰ সাহায্যৰ দ্বাৰা ইছলামৰ বাবে উল্লেখযোগ্য কাৰ্য্য প্ৰকাশ কৰিব নোৱাৰো,তেন্তে মছীহৰ হাতত মিছা ধৰ্মৰ বিনাশ ঘটিব বুলি উল্লেখ আছে, অৰ্থাৎ যদি মিছা ধৰ্মৰ ওপৰত ইছলামৰ বিজয় নহয়, মানৱ জাতি চাৰিও ফালৰ পৰা ইছলাম ধৰ্ম গ্ৰহণ নকৰে,ত্ৰিত্ববাদৰ বিনাশ নহয়, আৰু পৃথিৱীত এটা নতুন বিপ্লব সাধন নহয়,তেতিয়া মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মই নিজকে মিছলীয়া বুলি ভাৱিম, কিন্তু মই যে মিছলীয়া নহয়, আল্লাহ তায়লা সেয়া ভালকৈ জানে ।

( ৰুহানী খাজাইন খণ্ড ১১ পৃঃ ৩১১-৩১৯, জামিমা আনজামে আথম পৃঃ ২৭-৩৫)

অৰ্থাৎ **আব্দুল হক গজনবী** আৰু **আব্দুল জাববাৰ** ঔদ্ধতা বশত:অশ্লীল ভাষা প্ৰয়োগ কৰি মিছা ৰটনা কৰিছে । সিহঁতৰ মুৰ্শিদ আব্দুল্লাহ চাহাবৰ বাণীৰ ওপৰত দৃষ্টিপাত কৰা উচিত অথবা সিহঁতে অছিয়ত ভঙ্গকাৰী বুলি গণ্য হ'ব ।মৌলৱী আব্দুল্লাহ চাহাব নিজৰ জীৱনতে মোৰ নামত দুখন চিঠি পঠাইছিল আৰু সেই গোটেই বিলাক চিঠিত কোৰানৰ আয়াতীয় ইলহাম লিখি মোক সুসংবাদ জনাই কৈছিল যে তুমি কাফেৰৰ ওপৰত বিজয় লাভ কৰিবা । অৰ্থাৎ মৃত্যুৰ পিছত মোৰ ওপৰত প্ৰকাশ কৰা হয় যে তেখেতে মোৰ দাবীৰ ওপৰত সাক্ষী দি গৈছে । মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মৌলৱী আব্দুল্লাহ চাহাব মোৰ দাবীক শুনাৰ পিছত মোৰ পক্ষে সাক্ষী স্বৰূপ এয়া কৈছে, মোৰ বিশ্বাস আছিল যে এনেকুৱা ব্যাক্তি আল্লাহ তায়লাৰ ফালৰ পৰা আহিব । তাৰ শব্দটি এইৰূপ

**ওৱা লানাতুল্লাহি আলাল কাজিবিন**

( ৰুহানী খাজাইন খণ্ড ১১, পৃঃ ৩৪৩, জামিমা আনজামে আথম পৃঃ ৫৯)

## পুস্তিকা আছমানী ফয়চালা ২৮

উল্লেখ থাকে যে, মিঞা নাজিৰ হোছেন মুত্তাকীসকলৰ পথ সম্পূৰ্ণ ৰূপে ত্যাগ কৰিছে । মই দিল্লীত **তিনিটা প্ৰচাৰ পত্ৰ** জাৰি কৰিছোঁ যাৰ মাজত বাৰে বাৰে এই কথা উল্লেখ আছে যে মই এজন মুছলমান আৰু ইছলামৰ বিশ্বাসত পূৰ্ণ বিশ্বাসী । মই আল্লাহ তায়লাৰ শপত খাই সংবাদ পঠাইছো

যে, মোৰ কোনো বক্তৃতাত বা পুস্তিকাত ইছলামী নিয়মৰ বিপৰীত কোনো ধাৰণা উপস্থাপন কৰা নাই । মই ইছলামী নিয়ম-নীতিৰ ওপৰত মনৰ পৰা গভীৰ ভাৱে পূৰ্ণ বিশ্বাস ৰাখো আৰু ইছলামী নিয়মৰ বিপৰীত নিয়ম-নীতিৰ ওপৰত বিশ্বাস নকৰো । কেৱল প্ৰতিপক্ষৰ ভ্ৰান্ত ধাৰণাৰ কাৰণে সিহঁতে মোৰ ওপৰত বিভিন্ন দোষাৰোপ কৰি থাকে ।

ৰুহানী খাজাইন খণ্ড ৪, পৃঃ ৩১২, পত্ৰিকা আছমানী ফয়চালা পৃঃ ৩)

হজৰত মিৰ্জা গোলাম আহমদ চাহাব এই আধ্যাত্মিক প্ৰতিযোগীতাৰ কাৰণে প্ৰত্যেক ছুফি, পীৰ, আৰু আলিম সমাজক আহ্বান কৰি কয়,

মই আল্লাহ তায়লাৰ শপত খাই স্বীকাৰ কৰিছোঁ যে যদি মই এই প্ৰতিযোগীতাত পৰাস্ত হওঁ তেনেহলে মই প্ৰচাৰ পত্ৰৰ মাধ্যমত ভূল পথত আছো বুলি স্বীকাৰ কৰিম, . . . . . আৰু এই জলছাত স্বীকাৰ কৰিম যে মই আল্লাহ তায়লাৰ প্ৰেৰিত পুৰুষ নহয়, মোৰ সকলো দাবী মিছা বুলি গণ্য হওক ।মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে আল্লাহ তায়লাৰ ওপৰত মোৰ পূৰ্ণ বিশ্বাস আছে । মই জানো আল্লাহ তায়লা কেতিয়াও মোক ব্যৰ্থ নকৰিব ।

( ৰুহানী খাজাইন খণ্ড ৪, পৃঃ ৩৩০, পত্ৰিকা আছমানী ফয়চালা পৃঃ ১৩)

## হামামাতুল বুশ্বৰা

নিঃসন্দেহ আমাৰ পথ প্ৰদৰ্শনকাৰী সকলো ৰচুলসকলৰ ছৰ্দাৰ আহমদ । মই তাৰ অনুসৰণত সন্তুষ্ট, আমাৰ আল্লাহ লক্ষ্য কৰিছে । মই আল্লাহ তায়লাৰ শপত খাই কওঁ মই মহম্মদ (ছাঃ)ৰ অনুসাৰী, গোটেই বিলাক তাৰ জ্যোতিৰ পৰা জ্যোতি আহৰণ কৰিছোঁ ।

(ৰুহানী খাজাইন খণ্ড ৭, পৃঃ৩৩১-৩৩২, হামামাতুল বুশ্বৰা পৃঃ ১০৬-১০৭)

-

## ছুৰমা চশ্বমায়ে আৰিয়া

মই সত্য কওঁ, অযথা সময় নষ্ট কৰিব নোখোজো, কোৰান শ্বৰীফৰ প্ৰাথমিক ১০ পৃষ্ঠাৰ দ্বাৰা একত্ববাদ যিভাৱে দিবালোকৰ দৰে প্ৰকাশ পায়,যদি কোনো ব্যাক্তি বেদৰ হাজাৰ পৃষ্ঠাৰ পৰা একত্ববাদৰ প্ৰমাণ দিব পাৰে তেনেহলে মই বিশ্বাস কৰিম, বেদত একত্ববাদ আছে ।সিহঁতে আমালোকৰ সামৰ্থ অনুযায়ী চৰ্ত ৰাখি সেই টো পূৰ্ণ কৰাৰ কাৰণে যি ধৰণে সিদ্ধান্ত কৰিব খোজে, কৰিব পাৰে । কিন্তু মই এক আৰু অদ্বিতীয় খোদাৰ শপত খাই কওঁ, বিশেষকৈ কম বয়সীয়াল আৰ্য্যসকলৰ মনত ৰখা উচিত যে বেদত কোনো একত্ববাদৰ শিক্ষা নাই বৰং প্ৰত্যেক ঠাইত মূৰ্তি পূজাৰ যি শিক্ষাৰ সংমিশ্ৰণ আছে সেই বিষয়ে কোনো ব্যাক্তি অস্বীকাৰ কৰিব নোৱাৰে ।বেদৰ ওপৰৰ পৰা পৰ্দা নিশ্চয় মুকলি হৈ যাব ।অৰ্থাৎ তোমালোকে আল্লাহ তায়লাৰ ভয় কৰা যাৰ সন্মুখত কোনো একোৱেই গোপন নহয় ।

( ৰুহানী খাজাইন ২য় খণ্ড, পৃঃ ২১৬, ছুৰমা চশ্বমায়ে আৰিয়া পৃঃ ১৬৮)

গোটেইবিলাক প্ৰশংসাৰ পিছত মই আল্লাহ তায়লাৰ ভক্ত আহমদ, পিতা মৃত মিৰ্জা গোলাম মৰ্তজা (বাৰাহীনে আহমদীয়াৰ লিখক) উচ্চ মৰ্যদা সম্পন্ন আৰু অতি পবিত্ৰ আল্লাহ তায়লাৰ শপত খাই কওঁ মই মোৰ জীৱনৰ অধিকাংশ সময় ধৰ্মীয় গৱেষণায় ব্যায় কৰি প্ৰমাণ পাইছো যে পৃথিৱীত অকল মাথোন ইছলাম ধৰ্মই সত্য আৰু আমালোকৰ ছৰ্দাৰ হজৰত মহম্মদ (ছাঃ) আল্লাহ তায়লাৰ মনোনীত ব্যাক্তিও উচ্চ মৰ্যদা সম্পন্ন ৰচুল আৰু পৱিত্ৰ কোৰান শ্বৰীফ নিদৰ্শন আৰু সত্যতাত পৰিপূৰ্ণ । তাৰ বৰ্ণনা অনুযায়ী আল্লাহ তায়লা নিৰাকাৰ, পূৰ্ণ কুদৰতৰ অধিকাৰী,সকলো গুণাৱলীত পৰিপূৰ্ণ স্বয়ং সম্পূৰ্ণ,সকলো স্ৰষ্টাৰ শ্ৰেষ্ঠ, সকলো অনু-পৰমাণু তাৰেই সৃষ্টি,সত্যানুগত্যেৰ ফল প্ৰদানকাৰী, ঈমানদাৰসকলৰ মুক্তি প্ৰদানকাৰী,পৰম কৰুণাময়, দয়ালু, তৌবা গ্ৰহণকাৰী, ইয়াৰ বাহিৰেও কোৰান শ্বৰীফত অন্যান্য সঠিক সত্য ঐশী শিক্ষা আৰু গুণাৱলী আছে । মই কোৰান শ্বৰীফৰ সকলোবিলাক শিক্ষাক মন প্ৰাণেদি সত্য বুলি জানো আৰু সেয়া বিশ্বাস কৰো ।( ৰুহানী খাজাইন ২য় খণ্ড পৃঃ৩০২-৩০৩, ছুৰমা চশ্বমায়ে আৰিয়া পৃঃ ২৫২- ২৫৩)

## চশ্বমায়ে মছিহ

যাৰ হাতত মোৰ প্ৰাণ সুৰক্ষিত মই সেই পৰমেশ্বৰৰ শপত লৈ কওঁ মই মোৰ পৱিত্ৰ পৰমেশ্বৰৰ নিঃসন্দেহ ও সুনিশ্চিত বাক্যলাপৰ দ্বাৰা সন্মানিত হৈছো আৰু হৈয়ে আছো । যীশু যি ঈশ্বৰক কৈছে, তুমি মোক কিয় পৰিত্যাগ কৰিছা । সেই ঈশ্বৰ কেতিয়াও মোক পৰিত্যাগ কৰা নাই ।

( ৰুহানী খাজাইন খণ্ড ২০, পৃঃ ২৫৩,৩০৩, চশ্বমায়ে মছীহ পৃঃ ৩২)

## নাছিমে দাওৱাত

সুধী পাঠক: **আৰশ্ব** সম্পৰ্কে মুছলমানসকলৰ এনেকুৰা বিশ্বাস নাই যে, **আৰশ্ব** কোনো এটি বস্তুৰ নাম বা কোনো সৃষ্টি, যাৰ ওপৰত আল্লাহ বহি আছে ।গোটেই কোৰান শ্বৰীফ অধ্যায়ন কৰিলে **আৰশ্ব** কোনো সীমিত বস্তু বা সৃষ্টি বুলি উল্লেখ পোৱা নাযায় । আল্লাহ তায়লা বাৰে বাৰে কৈছে যে প্ৰত্যেক বস্তুৰ সৃষ্টি মইয়ে । মোৰ সত্যাৰ ওপৰত প্ৰতিষ্ঠিত আৰু প্ৰত্যেক বস্তু মোৰ ক্ষমতাৰ অধীনত আছে ।কিন্তু **আৰশ্ব** এটি বস্তু বুলি কতো উল্লেখ পোৱা নাযায় । মই আল্লাহৰ শপত খাই কওঁ যাৰ নাম লৈ মিছা শপত খোৱা অভিশপ্তসকলৰ কাম । যদি কোনো আৰ্য্য কোৰান শ্বৰীফৰ পৰা **আৰশ্ব** এটি বস্তু বুলি প্ৰমাণ কৰি দিব পাৰে তেনেহলে মই তেওঁক এহাজাৰ টকা তৎক্ষণাত পুৰস্কাৰ দিম । মই আকৌ নম্ৰতাৰ সৈতে কওঁ যে আল্লাহ তায়লাৰ ওপৰত মিছা শপত খোৱা অভিশপ্তসকলৰ কাম ।

(ৰুহানী খাজাইন খণ্ড ১৯ ,পৃঃ ৪৫৩-৪৫৪, নাছিমে দাওৱাত পৃঃ ৮৪)

## নুজুলে মছীহ

যিহেতু আল্লাহ তায়লা সৰ্বশক্তিমান, এয়া তাৰ ক্ষমতাৰ অধীন, সি যদি ইচ্ছা কৰে তেতিয়া কোনো ধৰ্মগ্ৰন্থৰ ভাল আয়াত মোৰ ওপৰত ঐশী বাণীৰ মাধ্যমত অৱতীৰ্ণ কৰিব পাৰে । এইটো আৰবী ভাষা সম্পৰ্কে কৈছো । কিন্তু কেতিয়াবা কেতিয়াবা মোৰ ওপৰত এনেকুৰা ভাষাত ইলহাম হৈ থাকে, যি ভাষা মই একেবাৰেই নাজানো ।যেনেকুৰা ইংৰাজী, সংস্কৃত আৰু ইবৰাণী ভাষা । বাৰাহীনে আহমদীয়াত ইয়াৰ কিছু উদাহৰণো লিখা আছে । মই আল্লাহ তায়লাৰ শপত খাই কওঁ যাৰ হাতত মোৰ প্ৰাণ আছে । আল্লাহ তায়লা মোৰ ওপৰত এই দৰে নিদৰ্শন অৱতীৰ্ণ কৰি আছে আৰু সকলো নিদৰ্শনৰ মাজত বিভিন্ন ভাষাত ইলহাম হোৱাটোও এটি ডাঙৰ নিদৰ্শন ।

( ৰুহানী খাজাইন খণ্ড ১৮, পৃঃ ৪৩৫, নুজুলে মছীহ পৃঃ ৫৭)

মই ইয়াৰ পূৰ্বেও বিশেষ ব্যাখ্যা স্বৰূপ আল্লাহ তায়লাৰ শপত খাই কওঁ, যাৰ হাতত মোৰ প্ৰাণ আছে, মই বিভিন্ন পুস্তকত উল্লেখ কৰিছোঁ আৰু এতিয়াও কওঁ যে, হজৰত মহম্মদ (ছাঃ)য়ে মছীহ মাওউদ সম্পৰ্কে বুখাৰী শ্বৰীফ, মুছলিম শ্বৰীফ আৰু অন্যান্য ছহী হাদীছৰ কিতাপত যি বৰ্ণনা কৰিছে,মইয়ে সেই প্ৰেৰিত মছীহ মাওউদ ।

(আল্লহ তায়লা সাক্ষীৰ কাৰণে যথেষ্ট) ।

(লিখক মিৰ্জা গোলাম আহমদ, ১৭ ই আগষ্ট ১৮৯৯)

( আকায়েদ ও তালিমাত আহমদীয়াত, পৃঃ ১৩৪ ৰ পৰা সংকলিত)

যি খোদা মোক পঠাইছে আৰু যাৰ প্ৰতি মিছা আৰোপ কৰা মহাপাপীৰ

কাম;মই আল্লাহৰ শপত খাই কওঁ তেওঁৰে মোক মছীহ মাওউদ ৰূপে পঠাইছে। মই যেনেকুৰা কোৰান শ্বৰীফৰ আয়াতৰ প্ৰতি পূৰ্ণ ঈমান ৰাখো তেনেকুৰাই বিন্দু মাত্ৰ পাৰ্থক্য নকৰি মোৰ প্ৰতি অৱতীৰ্ণ আল্লাহ তায়লাৰ প্ৰত্যেকটি পৱিত্ৰ ওহীৰ ওপৰত ঈমান ৰাখো।এই বিলাকৰ সত্যতা অবিৰাম নিদৰ্শনৰ দ্বাৰা মোৰ ওচৰত সুপ্ৰকাশিত হৈছে। মই কাবা গৃহত থিয় হৈ শপত খাই ক'ব পাৰো যে, যিবিলাক পৱিত্ৰ ওহী মোলৈ অৱতীৰ্ণ হয়, সেই বিলাক সেই আল্লাহৰ বাণী যিয়ে হজৰত মুছা(আঃ), হজৰত ঈছা(আঃ) আৰু হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি বাণী প্ৰেৰণ কৰিছিল।

(ৰুহানী খাজাইন খণ্ড ১৮, পৃঃ ২১০, এক গলতি কা ইজালা পৃঃ ৩)

## কিৰামাতুছ ছাদিকিন

মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মই কাফিৰ নহয় **লা ইলাহা ইল্লাল্লাহুৰ** ওপৰত মই পূৰ্ণ বিশ্বাস ৰাখো। **ওৱা লাকিৰ ৰাছুলুল্লাহে ওৱা খাতামান নাবিয়িন** ৰ ওপৰত মই ঈমান ৰাখো। আল্লাহ তায়লাৰ যিমান পৱিত্ৰ নাম আছে, কোৰান শ্বৰীফৰ যিমান আখৰ আছে আৰু আল্লাহ তায়লাৰ ওচৰত হজৰত মহম্মদ (ছাঃ) ৰ যিমান কামালাত আছে মই উপৰোক্ত বৰ্ণনাৰ ওপৰত সিমান কেইবাৰ শপত খাই ক'ব পাৰিম। মোৰ কোনো বিশ্বাস আল্লাহ আৰু ৰছুলৰ বৰ্ণনাৰ বিপৰীত নহয়। যি ব্যাক্তি মোৰ সম্পৰ্কে এইৰূপ ধাৰণা পোষণ কৰি থাকে সি ভূল পথত আছে,আৰু যি ব্যাক্তি এতিয়াও মোক কাফিৰ বুলি মনে কৰে সি মিছাৰ পথ অৱলম্বণ কৰিছে। মনত ৰাখিবা মৃত্যুৰ পিছত তেওঁক সুধা হ'ব। মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মই আল্লাহ তায়লা আৰু তাৰ ৰছুলৰ ওপৰত পূৰ্ণ বিশ্বাস ৰাখো। যদি এই যুগৰ সকলো মানুহৰ ঈমানক তৰ্জুৰ এফালে তুলি দিয়া হয় আৰু মোৰ ঈমান তৰ্জুৰ আনফালে তুলি দিয়া তেতিয়া মোৰ ঈমানৰ তৰ্জু বেছি ভাৰি(ওজন) হ'ব।

( ৰুহানী খাজাইন খণ্ড ৭, পৃঃ ৬৮, কিৰামাতুছ ছাদিকিন পৃঃ ২৫)

## তৰিয়াকুল কুলুব

মই আল্লাহ তায়লাৰ শপত খাই কওঁ,যদি কোনো কঠোৰ হৃদয় খ্ৰীষ্টান ,হিন্দু অথবা আৰ্য্য, মোৰ সুস্পষ্ট নিদৰ্শন সমূহক অস্বীকাৰ কৰি থাকে আৰু সি মুছলমান হোৱাৰ কাৰণে কোনো নিদৰ্শন দেখিব খোজে, তেন্তে তেওঁ বাজে কথা নকৈ কোনো সংবাদ পত্ৰত এই বুলি প্ৰকাশ কৰক যে সি এনেকুৱা নিদৰ্শন যি মানুহৰ শক্তিৰ বাহিৰত হ'ব,সেই টোক দেখি তেওঁ মুছলমান হ'ব মই পূৰ্ণ বিশ্বাসৰ সৈতে কওঁ যে সংবাদ পত্ৰত তাৰ স্বীকাৰোক্তিৰ দিনৰ পৰা এবছৰ পাৰ নহওঁতেই নিদৰ্শন দেখিব পাৰিব। কাৰণ মই তাৰ জ্যোতিত জ্যোতিৰ্ময়, যাৰ জ্যোতিত হজৰত মহম্মদ (ছাঃ)জ্যোতিৰ্ময় হৈছিল।(ৰুহানী খাজাইন খণ্ড ১৫, পৃঃ ১৪০, তৰিয়াকুল কুলুব, পৃষ্ঠা ৬-৭)

## তোহফা গোলৰবিয়া

মই আল্লাহ তায়লাৰ শপত খাই কওঁ, যাৰ হাতত মোৰ প্ৰাণ আছে, সি মোৰ সত্যতা প্ৰকাশৰ কাৰণে আকাশৰ পৰা নিদৰ্শন সেই সময়ত প্ৰকাশ কৰিছে যেতিয়া মৌলৱী সকলে মোক দাজ্জাল, মিছলীয়া আৰু কাফিৰ বুলি আখ্যায়িত কৰিছিল, আৰু আল্লাহ তায়লা এই নিদৰ্শন সম্পৰ্কে ২০ বছৰ পূৰ্বতে বৰাহীনে আহমদীয়াত ভৱিষ্যাতবাণী ৰূপে অঙ্গীকাৰ কৰিছিল।

অৰ্থাৎ সিহঁতক কৈ দিয়া যে মোৰ ওচৰত আল্লাহ তায়লাৰ এটি সাক্ষী আছে তোমালোকে কি সেই টোক মান্য কৰিবা ? তাৰ পিছতো তুমি কৈ দিয়া যে, মোৰ ওচৰত আল্লাহ তায়লাৰ এটি সাক্ষী আছে তোমালোকে কি সেই টোক মান্য কৰিব ? যদিও মোৰ সত্যতাৰ সাক্ষীৰ কাৰণে আল্লাহ তায়লাৰ ফালৰ পৰা বহুত নিদৰ্শন প্ৰকাশ পাইছে। এশ ভৱিষ্যতবানী পূৰ্ণ হোৱালৈ কিমান লাখ মানুহ সাক্ষী আছে। কিন্তু এই ইলহামত সেই ভৱিষ্যতবানীৰ উল্লেখ নিৰ্দিষ্ট উদ্দেশ্যৰ কাৰণে কৰা হৈছে। অৰ্থাৎ আদম (আঃ)ৰ সময়ৰ পৰা আজিলৈকে এইধৰণৰ নিদৰ্শন কোনোবাক দিয়া হোৱা নাই। মই **কাবা শ্বৰীফত** থিয় হৈ শপত খাই ক'ব পাৰো যে এই সকলো বিলাক নিদৰ্শন কেৱল মাত্ৰ মোৰ সত্যতা প্ৰকাশৰ কাৰণে অৱতীৰ্ণ কৰা হৈছে। কোনো এনেকুৱা ব্যাক্তিৰ বাবে নহয় যাৰ বিৰোধীতা হোৱা নাই। যাক অস্বীকাৰ কৰা হোৱা নাই। যাৰ ওপৰত মিছলীয়া, কাফিৰ, ফাছিক বুলি ফতোৱা দিয়া হোৱা নাই। এনেকুৱাই মই কাবা শ্বৰীফত থিয় হৈ শপত খাই ক ক'ব পাৰো যে উপৰোক্ত নিৰ্দশনৰ দ্বাৰা শতাব্দীৰ নিৰ্দিষ্ট কৰণ কৰা হৈছে।

(ৰুহানী খাজাইন খণ্ড ১৭, পৃঃ ১৪৩, তোহফা গোলৰবীয়া পৃঃ ৩৩)

## কিতাবুল বাৰিয়া

محمد است امام و چراغ ہر دو جہاں
محمد است فروزندۂ زمین و زماں
خدا نہ گویمش از ترسِ حق مگر بخدا
خدا نماست وجودش برائے عالمیاں

অনুবাদঃ হজৰত মহম্মদ (ছাঃ) দুই জগতৰ ইমাম আৰু দুই জগতৰ জ্যোতি। আকাশ আৰু পৃথিৱী তাৰ অলৌকত আলোকিত হৈছে। আল্লাহ তায়লাৰ ভয়ৰ কাৰণে মই তেখেতক খোদা ক'ব নোৱাৰিম। কিন্তু আল্লাহ তায়লাৰ শপত খাই কওঁ যে হজৰত মহম্মদ (ছাঃ) আল্লাহ তায়লাৰ গুণে গুণান্বিত এজন মহাপুৰুষ।

(ৰুহানী খাজাইন ,খণ্ড ১৩, পৃঃ ১৫৭, কিতাবুল বৰিয়া পৃঃ ১২

## আল হাকাম, ৩১ মে ১৯০২ খ্ৰীষ্টাব্দত

মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মোৰ সত্য উদ্দীপনা এটাই, মই সকলো সৌন্দৰ্যময় গুণাৱলীসহ হজৰত মহম্মদ (ছাঃ)ৰ ফালে প্ৰত্যাবৰ্তন কৰাৰ কাৰণে মন প্ৰাণ দি প্ৰচেষ্টা চলাই আছো। আল্লাহ তায়লাৰ একত্বৱাদ আৰু হজৰত মহম্মদ (ছাঃ) ৰ মৰ্য্যদা প্ৰতিষ্ঠিত হওক এয়াই মোৰ যাৱতীয় আনন্দৰ উৎস আৰু আগমনৰ উদ্দেশ্য আৰু মোৰ বিশ্বাস যিবিলাক প্ৰশংসা মূলক বাক্য আল্লাহ তায়লা মোৰ সম্পৰ্কে বৰ্ণনা কৰিছে। আচলতেই সেয়া হজৰত মহম্মদ (ছাঃ)ৰ ফালেই প্ৰত্যাবৰ্তন কৰে। সেয়ে মই তেখেত (ছাঃ) ৰ এজন দাস মাত্ৰ। মই তেখেত (ছাঃ) ৰ নবুয়তৰ অলৌকত আলোকিত। স্বাধীন ভাৱে মোৰ কোনো অস্তিত্ব নাই,আৰু মই বিশ্বাস কৰো যে হজৰত মহম্মদ (ছাঃ)ৰ কল্যাণ লাভৰ বাহিৰে স্বতন্ত্ৰ ৰূপে কোনোবা নবুয়ত পাব নোৱাৰে। যদি কোনোবায় এনেকুৱা দাবী কৰে তেনেহলে তেওঁ এজন মিছলীয়া বুলি গণ্য হ'ব। এতিয়া আল্লাহ তায়লাৰ ফালৰ পৰা চিৰস্থায়ী বিধান অনুযায়ী নিৰ্দিষ্ট মোহৰ হৈ গৈছে যে, হজৰত মহম্মদ (ছাঃ) ৰ অনুসৰণৰ বাহিৰে আধ্যাত্মিক পদমৰ্যদা পোৱা অসম্ভৱ।

(আলহাকাম, ৩১ মে ১৯০২ খ্ৰীষ্টাব্দ)

## আহমদী পকেট বুক (প্ৰথম খণ্ড)

কাজী মহম্মদ নজিৰ চাহাব ফাজিল

আল্লাহ্ তায়লা ইহুদীসকলক উদ্দেশ্য কৰি কৈছে যে,
হে ৰচুল, তুমি কোৱা, হে মানৱ জাতি তোমালোকৰ মাজত যিসকলে ইহুদী ধৰ্ম অৱলম্ভন কৰিছে যদি তোমালোকে আল্লাহ্ তায়লাৰ প্ৰিয় পাত্ৰ আৰু সত্যবাদী হোৱা তেন্তে তোমালোকে মৃত্যুৰ আশা কৰা ।(ছুৰা জুমা আয়াত ৭)

এই কথাৰ দ্বাৰা প্ৰকাশ পাব যে মৃত্যুৰ আকাঙ্খা পোষণকাৰী যদি মৃত্যুৰ আশা কৰাৰ পিছত অতি সোনকালে মৃত্যুবৰণৰ পৰা ৰক্ষা পায় তেতিয়া এইটো সত্যতা প্ৰকাশৰ এটা দলিল হ'ব আৰু কোনোবা যদি অজ্ঞতাবশত নিজকে আল্লাহ্ তায়লাৰ প্ৰিয় বুলি কল্পনা কৰে তেন্তে তাৰ মৃত্যু নিদৰ্শন হৈ থাকে । যেনেকুৱা আবু জেহেল বদৰৰ যুদ্ধত এই দোৱা কৰিছিল যে, আমালোকৰ মাজত যিয়ে মিছলীয়া হ'ব তেওঁক এই ঠাইতে মৃত্যু দি দিয়ক । অৰ্থাৎ সি বদৰৰ যুদ্ধত মৃত্যু হৈ ইছলামৰ সত্যতাৰ পক্ষে এটি জলন্ত নিৰ্দশনত পৰিণত হয় ।

যিসকলে হজৰত মছীহ মাওউদ (আঃ) ক মিছলীয়া আৰু নিজকে সত্যবাদী বুলি মন কৰে সিহঁতে প্ৰতিদ্বন্ধিতাত আহি নিজৰে মৃত্যুৰ দোৱা কৰিছে, সিহঁত সকলোৱে ধ্বংস হৈ গৈছে । হজৰত মছীহ মাওউদ (আঃ) য়ে আল্লাহ তায়লাৰ ফালৰ পৰা আহিছে সেইটো জনসাধাৰণক বুজাবৰ কাৰণে এই দোৱা কৰে ।

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ

نحمدہ و نصلی علی رسولہ الکریم

رَبَّنَا افْتَحْ بَيْنَنَا وَبَيْنَ قَوْمِنَا بِالْحَقِّ وَأَنْتَ خَيْرُ الْفَاتِحِينَ

اے قدیر و خالق ارض و سما　　اے رحیم و مہربان و رہنما

اے کہ میداری تو بر دلہا نظر　　اے کہ از تو نیست چیزے مستتر

گر تو مے بینی مرا پُر فسق و شر　　گر تو دیدہ استی کہ ہستم بدگہر

پارہ پارہ کن منِ بدکار را　　شاد کن، ایں زمرہٴ اغیار را

بر دلِ شاں ابرِ رحمت ہا ببار　　ہر مرادِ شاں بفضلِ خود برآر

آتش افشاں بر درو دیوارِ من　　دشمنم باش و تبہ کن کارِ من

در مرا از بندگانت یافتی　　قبلہٴ من آستانت یافتی

در دلِ من آں محبت دیدہٴ　　کز جہاں آں راز را پوشیدہٴ

بامن از روئے محبت کارکن　　اندکے افشاء آں اسرار کن

(روحانی خزائن جلد 14 صفحہ 134)

অনুবাদঃহে সর্ব শক্তিমান, আকাশ আৰু পৃথিৱীৰ সৃষ্টি কাৰী, হে কৃপাকাৰী, দয়ালু আৰু পথ প্ৰদৰ্শক । তুমি অন্তৰ্যামী, তোমাৰ ওচৰত কোনো বস্তু লুকাই থাকিব নোৱাৰে, তুমি মোক তোমাৰ আদেশত অমান্যকাৰী ৰূপে পাই থাকা, আৰু মোৰ বংশ যদি বেয়া হৈ থাকে,তেন্তে মোৰ নিচিনা পাপীক ছিন্ন ভিন্ন কৰি দিয়া আৰু মোৰ প্ৰতিপক্ষক আনন্দ প্ৰদান কৰা, সিহঁতৰ অন্তৰত ৰহমত অৱতীৰ্ণ কৰা । তোমাৰ অশেষ কৃপাৰ দ্বাৰা সিহঁতৰ প্ৰত্যেক আশাক পূৰ্ণ কৰা মোৰ ঘৰত অগ্নিকুণ্ড বৰ্ষণ কৰা, মোৰ লগত শক্ৰৰ দৰে ব্যৱহাৰ কৰা, আৰু কামবিলাক নষ্ট কৰি দিয়া, আৰু যদি মই তোমাৰ অনুসৰণ কাৰী হৈ থাকো আৰু যদি মোৰ অন্তৰত সেই ভালপোৱা থাকি থাকে যাৰ ভেদৰ পৰা পৃথিৱীবাসী অজ্ঞ, তেতিয়া মোৰ লগত প্ৰেমাস্পদ ব্যৱহাৰ কৰা আৰু গোপন ৰহস্যৰ পৰা কিছু ৰহস্য মানুহৰ সন্মুখত প্ৰকাশ কৰা ।

এই দোৱাৰ পিছত হজৰত মিৰ্জা চাহাবৰ হাতত বহুত নিদৰ্শন প্ৰকাশ পাইছে । আল্লাহ তায়লা মিৰ্জা চাহাবক পৃথিৱীত উচ্চ মৰ্য্যাদা প্ৰদান কৰিছে

আৰু তেখেতক ধ্বংস কৰাৰ পৰিবৰ্তে সকলো ফালৰ পৰা তেখেতক বিজয় দান কৰিছে এইটো চিন্তাশীল ব্যাক্তিৰ কাৰণে এটি ডাঙৰ নিদৰ্শন ।

( আহমদীয়া পকেট বুক, ১ম খণ্ডৰ পৰা সংকলিত , সংকলক: কাজী মহম্মদ নজীৰ চাহাব ফাজিল)

## মহত্বপূৰ্ণ ভৱিষ্যতবাণী, ইছলামৰ উজ্জ্বল ভৱিষ্যত মহা বিজয়ৰ দিন

হজৰত মিৰ্জা গোলাম আহমদ চাহাবে কৈছে যে :-

খোদা তায়লা মোক বাৰে বাৰে জনাইছে যে তেওঁ মোক বহু সন্মানৰ সৈতে শ্ৰেষ্ঠতা প্ৰদান কৰিব আৰু মানুহৰ হৃদয় মোৰ প্ৰতি ভালপোৱা সৃষ্টি কৰি দিব । সি মোৰ অনুসৰণকাৰীসকলৰ সঙ্গ গোটেই জগতত বিস্তৃত কৰিব আৰু সিহঁতক সকলো জাতিৰ ওপৰত জয়যুক্ত কৰিব । মোৰ অনুসৰণকাৰী এনেকুৱা অসাধাৰণ জ্ঞান তত্ব-দৰ্শিতা লাভ কৰিব যে সিহঁতে শ শ সত্যবাদীতাৰ জ্যোতিত আৰু যুক্তিপূৰ্ণ প্ৰমাণ ও নিদৰ্শণাৱলীৰ প্ৰভাৱত সকলোৰে মুখ বন্ধ কৰি দিব ।সকলো জাতি এই নিজৰাৰ পৰা তৃষ্ণা নিবাৰণ কৰিব আৰু মোৰ সঙ্গ সকল ফলেফলে সুশোভিত হৈ দ্ৰুত গতিত বৃদ্ধি পাব, অৰ্থাৎ গোটেই পৃথিৱীত বিয়পি পৰিব । বহু বিপত্তিয়ে দেখা দিব আৰু পৰীক্ষাৰ সন্মুখীন হ'ব লাগিব, কিন্তু খোদা তায়লা সেইবিলাক পথৰ পৰা দূৰ কৰি দিব, আৰু নিজৰ প্ৰতিশ্ৰুতি পূৰ্ণ কৰিব । খোদা তায়লা মোক উদ্দেশ্য কৰি কৈছে, **তোমাৰ ওপৰত বৰকতৰ পিছত বৰকত বৰ্ষণ কৰি থাকিম,এনেকুৱা কি বাদশ্বাহ তোমাৰ কাপোৰৰ পৰা বৰকত বিচাৰিব** ।

হে শ্ৰোতা বৃন্দ সকল; এই কথাবিলাক স্মৰণ ৰখা আৰু এই ভৱিষ্যতবাণী বিলাকক নিজৰ নিজৰ বাকচৰ ভিতৰত সুৰক্ষিত ৰাখা । এয়া খোদাৰ বাণী । এদিন এইটো পূৰ্ণ হ'বই হ'ব ।

(ৰুহানী খাজাইন খণ্ড ২০, পৃঃ ৪০৯, তাজাল্লিয়াতে ইলাহিয়া,পৃঃ ২১)

বেলেগ এঠাইত কয়,

হে মানৱ মণ্ডলী; শুনি ৰাখক, এইটো তাৰ ভৱিষ্যতবাণী যিয়ে পৃথিৱী ও আকাশ সৃষ্টি কৰিছে, সি নিজৰএই জামাতক সকলো দেশতেই সিঁচৰিত কৰি দিব আৰু হুজ্জত ও সঁচা-মিছাৰ মাজত পাৰ্থক্যকাৰী দলিলৰ দ্বাৰা সকলোৰে ওপৰত বিজয় দান কৰিব । সেই দিন অতি কাষতেই যেতিয়া পৃথিৱীত কেৱল মাথোন এই ধৰ্মই হ'ব যাক সন্মানৰ দৃষ্টিত দেখা হ'ব । খোদা এই ধৰ্মক আৰু এই জামাতক উচ্চ মৰ্যদা ও অসাধাৰণ বৰকত দান কৰিব আৰু যিয়ে এই জামাতক শেষ কৰি দিয়াৰ পৰিকল্পনা কৰিব তেওঁক ব্যৰ্থ কৰি দিয়া হ'ব । এই বিজয় চিৰকাল প্ৰতিষ্ঠিত থাকিব ।এনে কি কিয়ামত লৈ প্ৰতিষ্ঠিত থাকিব । . . . ইয়াৰ পিছত আজিৰ পৰা তৃতীয় শতাব্দী পূৰ্ণ নহওঁতেই যেতিয়া হজৰত ঈছা (আঃ) ৰ অপেক্ষাকাৰীসকল, কি মুছলমান, কি খ্ৰীষ্টান, সকলোৰে অত্যন্ত হতাশ ও বিৰক্ত হৈ মিছা বিশ্বাসক পৰিত্যাগ কৰিব তেতিয়া পৃথিৱীত এখনেই ধৰ্ম হ'ব আৰু এটাই পেশ্বৱা(ধৰ্ম) । মই

কেৱল এখন বীজ বপন কৰিবলৈ আহিছো,অৰ্থাৎ মোৰ হাতৰ দ্বাৰা সেই বীজ বপন কৰা হৈছে । এতিয়া সেয়া বৃদ্ধি লাভ কৰিব আৰু বিকাশিত হ'ব । কোনেও এইটো প্ৰতিহত কৰিব নোৱাৰিব ।

(ৰুহানী খাজাইন খন্ড ২০, পৃঃ ৬৬-৬৭, তাজকিৰাতুশ্ব শ্বাহাদাতায়িন পৃঃ ৬৪-৬৫)

## সত্য দাবীৰ চ্যালেঞ্জ

যদি গোটেই বিশ্বৰ জাতিসমূহ মোৰ মোকাবিলায় একত্ৰিত হৈ যায়আৰু এই বিষয়ে পৰীক্ষা হয় যে খোদা কাক অদৃশ্যৰ শক্তি দিয়ে,কাৰ দোৱা গ্ৰহণ কৰে কাক সাহায্য কৰে, আৰু কাৰ কাৰণে ডাঙৰ ডাঙৰ নিদৰ্শন দেখুৱায়, অৰ্থাৎ মই খোদাৰ শপত খাই কওঁ মইয়ে বিজয় হম ।কোনোবা আছেনে ? যিয়ে এই পৰীক্ষাতমোৰ মোকাবোলাত আহিব হাজাৰ হাজাৰ নিদৰ্শন খোদা কেৱল এই কাৰণেই দিছে যাতে শত্ৰুসকলে জানিব পাৰে যে ইছলাম ধৰ্ম সত্য । মই নিজৰ কাৰণে কোনো মৰ্য্যদা নুখোজো, বৰং তাৰ মৰ্য্যদা খোজো যাৰ কাৰণে মই প্ৰেৰিত হৈছো ।

(ৰুহানী খাজাইন, খণ্ড ২২, পৃঃ ১৮১, হাকীকাতুল ওহী, পৃঃ ১৭৬

## প্ৰকাশ্য চ্যালেঞ্জ

মই আল্লাহ তায়লাৰ শপত খাই কওঁ, মই তাক দেখিছো, পৃথিৱীবাসী মোক চিনিব পৰা নাই । কিন্তু আল্লাহ তায়লাৰ আস্তানত মোৰ সন্মান আছে । এয়া প্ৰতিপক্ষৰ ভূল ধাৰণাৰ কাৰণে দুৰ্ভাগ্য বশত সিহঁতে মোৰ ধ্বংস খোজে । কিন্তু মই এনে এখন গছ যাক প্ৰকৃত মালিকে বপন কৰিছে ।অৰ্থাৎ যিসকলে মোক ধ্বংস কৰিব খোজে সিহঁতৰ অৱস্থাও **কাৰুণ, ইহুদা, আস্কাৰিয়তি** আৰু **আবুজেহলৰ** দৰে হ'ব । মই ক্ৰন্দন হৃদয়ে অসংখ্যবাৰ সকলোকে নবুয়তৰ পদ্ধতিত প্ৰতিযোগীতাৰ কাৰণে মাতিছো কিন্তু ঐশী নিদৰ্শন দেখাৰ কাৰণে কোনেও নাহিলে । প্ৰতিযোগীতাৰ ময়দানত অহাটো কোনো নুপুংসকৰ কাম নহয় ।হ্যা, পঞ্জাব অধিবাসী **গোলাম দস্তগীৰ** কাফিৰসকলৰ লস্কৰৰ এজন সদস্য আহিছিল ।কিন্তু এতিয়া তাৰ অনুৰূপ আৰু কোনোবা অহা নাই আৰু নাহেও ।হে মানৱ জাতি; মোৰ ওপৰত এনে শক্তিৰ হাত আছে, যিয়ে শেষ পৰ্যন্ত মোক সাহায্য কৰি থাকিব । যদি তোমালোক পুৰুষ, মহিলা, যুৱক, বৃদ্ধ, সৰু, ডাঙৰ সকলোৱে একগোট হৈ মোৰ ধ্বংসৰ কাৰণে দোৱা কৰা,এনে কি ছিজদা কৰি কৰি নাক ভোটা কৰি দিয়া আৰু হাত যদিও অজ্ঞান হৈয়ো যায়, তথাপি আল্লাহ তায়লাৰ ওচৰত তোমালোকৰ দোৱা গ্ৰহণযোগ্য নহ'ব । এইৰূপ ইলাহী কাম সিমান দিনলৈ অব্যাহত থাকিব যিমানদিনলৈ তাৰ কাম পূৰ্ণ নহ'ব । যদি কোনো ব্যাক্তি মোৰ সাহায্য নকৰে এনে অৱস্থাত আল্লাহ তায়লাৰ ফিৰিস্তা মোৰ সাহায্য কৰিব ।যদি তোমালোকে সাক্ষী লুকোৱা তেতিয়া পাথৰ মোৰ সাক্ষী দিব ।অৰ্থাৎ নিজৰ প্ৰাণৰ ওপৰত অত্যাচাৰ নকৰিব, কাৰণ সঁচা ও মিছা কথাৰ মাজত পাৰ্থক্য হৈয়ে থাকে ।আল্লাহ তায়লা প্ৰত্যেক বিষয়ৰ মীমাংসা নকৰি ক্ষান্ত নহয় ।

(ৰুহানী খাজাইন খণ্ড ১৭, পৃঃ ৩৯৯-৪০০, আৰবাইন নম্বৰ ৩, পৃঃ ১৪-১৫)

## প্ৰিয় বন্ধু সকল!

মানুহৰ ইতিহাসত এনেকুৱা কেতিয়াও হোৱা নাই যে কোনো মানুহ মিছা কয়, আৰু নিজৰ ধ্বংসৰ কাৰণে খোদা তায়লাক সাক্ষী বনায়, আৰু তেওঁ ইয়াত সফলহব পাৰিছে ।কিন্তু হজৰত মিৰ্জা গোলাম আহমদ চাহাব কাদিয়ানী (হিন্দুস্থান) য়ে নিজৰ দোৱাৰ কাৰণে খোদা তায়লাক সাক্ষী বনাই লয় আৰু তেখেতে সফলো হয়, অৰ্থাৎ ধ্বংসও নহয়, অৰ্থাৎ সত্যবাদী প্ৰমাণ হয় আৰু আল্লাহ তায়লা তেখেতৰ উদ্দেশ্যত সফল কৰে ।এই সাক্ষী আৰু শ্বাহাদতৰ বৰ্ণনা কিতাপ **খোদাৰ শপতত** উপস্থাপন আছে আৰু এতিয়া এই কিতাপ উৰ্দুৰ বাহিৰে আৰু বেলেগ ভাষাতো আছে

উৰ্দু অধ্যায়ন কৰাৰ বাবে http/tinyuri.com/kkqurdu
ইংৰাজী অধ্যায়ন কৰাৰ বাবে http/tinyurl.com/bygod/kkq
হিন্দী অধ্যায়ন কৰাৰ বাবে http/tinyurl.com/kkqhindi
বাংলা অধ্যায়ন কৰাৰ বাবে http/tinyurl.com/kkqbangla

এই কিতাপত ৪৭ এনেকুৱা মকামাত নিৰ্বাচন কৰা হৈছে যত তেখেত (আঃ) নিজৰ দাবীৰ কাৰণে খোদা তায়লাক সাক্ষী ৰাখিছে যে মই সেইজন হয় যাৰ অপেক্ষা সকলো জাতিয়ে কৰি আছে ।এই কিতাপত আপুনি বাৰে বাৰে এই কামৰ ঘোষণা কৰিছে যে মইয়ে শেষ যুগৰ মুচলেহ (সংশোধনকাৰী) হওঁ ।যদি মই এই দাবীত মিছা হওঁ তেতিয়া মোৰ ওপৰত খোদা তায়লাৰ লাঞ্ছনা হওক, আকৌ কয়, মই সত্যবাদী হওঁ আৰু খোদা মোৰ লগত আছে, আৰু মই নিশ্চতভাৱে সফল হম ।

এঠাইত তেখেত (আঃ) য়ে খোদা তায়লাৰ ওচৰত কিমান সুন্দৰ দোৱা কৰিছে **হে মোৰ খোদা; তুমি দয়ালু, মোৰ দোৱা গ্ৰহণ কৰা আৰু মোক মোৰ শত্ৰুৰ বিপক্ষে প্ৰকাশ্য নিদৰ্শনৰ সৈতে সফল কৰা, তুমিয়েই সত্যকাৰ অৰ্থে শক্তিশালী ।**

তেখেত (আঃ) য়ে অসংখ্য বিৰোধীসকলৰ মুখাপেখী হৈছে । এই কিতাপ "খোদাৰ শপতৰ" পৃঃ ৩৮ত তেখেত (আঃ) য়ে খোদা তায়লাৰ সন্মুখীনহৈ দোৱা কৰে;

হে কাদেৰ, আকাশ আৰু পৃথিৱীৰ সৃষ্টিকৰ্তা, হে , কৃপালু, দয়ালুআৰু পথপ্ৰদৰ্শক ।হে (খোদা) যিয়ে হৃদয়ৰ দৃষ্টি ৰাখোতা, হে খোদা যাৰ পৰা কোনো বস্তু লুক্কায়িত নহয় । যদি তুমি মোক অবাধ্যতা আৰু অশিষ্টতাৰে পৰিপূৰ্ণ দেখা ।তেতিয়া তুমি মোক টুকুৰা টুকুৰা কৰি দিয়া, আৰু মোৰ বিৰোধীসকলৰ দলক খুশ্বি (আনন্দিত) কৰা সিঁহতৰ মনত নিজৰ ৰহমতৰ ছাঁ বৰ্ষণ কৰা আৰু নিজৰ ফজলৰ দ্বাৰা সিঁহতৰ প্ৰত্যেক উদ্দেশ্য পূৰ্ণ কৰি দিয়া ।আৰু মোৰ দুঃখ আৰু দেৱালত জুই লগাই দিয়া । মোৰ শত্ৰু হৈ যোৱা আৰু মোৰ পেশ্বা ধ্বংস কৰি দিয়া ।যদি তুমি মোক অনুসৰণকাৰী পোৱা আৰু মোৰ হৃদয়ত সেই প্ৰেম দেখিব পোৱা যাৰ ৰহস্য তুমি পাৰ্থিৱ জগতবাসীৰ পৰা লুকাই ৰাখিছা । তেতিয়া তুমি মোৰ লগত মহব্বত কৰা আৰু এই ৰহস্যৰ পৰা কিছু অংশ প্ৰকাশ কৰা ।

কোনো মিছলীয়া এই ধৰণৰ মৰ্য্যদাপূৰ্ণ দোৱা কৰিব নোৱাৰে আপোনাৰ উদ্দেশ্য বিশ্ববাসীৰ মানৱতাক সংযুক্ত কৰা আৰু খোদা তায়লাৰ ফালে আকৃষ্ট কৰি ইছলামৰ সম্বন্ধে যি ভূল ধাৰণা সেয়া দূৰ কৰি তাৰ মূল আৰু সৌন্দৰ্য্য উপস্থাপন কৰা ।

আল্লাহ তায়লা তেখেত (আঃ) ক অসংখ্য সফলতা আৰু পুৰুস্কাৰৰ সৈতে পুৰুস্কৃত কৰিছে আৰু আপোনাৰ জামাত যিয়ে বহুত কষ্টৰ সন্মুখীন হৈছে আৰু কুৰবানী দিছে আজি বিশ্বৰ ২০০ ৰো অধিক দেশত কোটি কোটি সংখ্যাত বিয়পি পৰিছে । আলহাম দুলিল্লাহ;

বিশেষ জনাৰ কাৰণে আমাৰ ৱেব ছাইট,www.alislam.org ত যোগাযোগ কৰক ।